# অন্বেষণ

প্ৰথম বছৰ ■ একাদশ সংখ্যা ■ ডিচেম্বৰ, ২০১৪







গুগলৰ পৃষ্ঠপটত অসমৰ ছবি




- মগজুৰ সক্ষমতা বঢ়োৱাৰ উপায়
- ব্ৰাজিলৰ লৌহ-মানৱীগৰাকী

ভাৰতৰ মংগল অভিযান



মংগলযানৰ উৎক্ষেপণ




মংগলযানৰ গতিপথ

## মংগলযানে পঠিওৱা ছবি



মংগলপৃষ্ঠৰ ছবি



মংগল গ্ৰহৰ ত্ৰিমাত্ৰিক ছবি



মংগলযানে লোৱা ফ'ট'ৰ ছবি

# অন্বেষণ

প্ৰথম বছৰ, একাদশ সংখ্যা, ডিছেম্বৰ, ২০১৪ চন

## সূচীপত্ৰ

২ ভাৰতৰ মংগল অভিযান
■ পংকজ দত্ত
৪ টকিঅ’
■ সংগীতা দাস
৫ শিশু সাহিত্যিক নৰকান্ত বৰুৱা
■ অপৰ্ণা দেৱী
৬ দেশ বিদেশৰ খবৰ
■ সংগ্ৰহ : কুশল গোস্বামী
১১ মেৰিয়ানা খাদ
■ পুষ্পাঞ্জলী দাস
১২ মগজুৰ সক্ষমতা কেনেকৈ বঢ়াবা ?
■ অভিজিত শৰ্মা বৰুৱা
১৫ চুড’কু
১৬ মানসিক সামৰ্থ্য বিকাশ
■ ৰবীন্দ্ৰ বৰ্মন
১৮ কুইজ
■ অপ্সৰা বৰুৱা
১৯ ভাৰতৰ জ্ঞানপীঠ বঁটা বিজয়ীসকল
■ কিৰণময়ী কলিতা
২০ ভাৰতীয় অৰ্থ ব্যৱস্থাত ৰাজসাহায্য
■ মানসী বৰুৱা
২২ বিদেশী ৰাষ্ট্ৰসমূহৰ লগত ভাৰতে সম্পাদন কৰা কেইখনমান শান্তি চুক্তি
■ ৰুনিমা শৰ্মা
২৪ ঢুলীয়া
■ কবিতা পাটগিৰি
২৬ দ্য এলকেমিষ্ট
■ নিশা দেৱী
২৭ খবৰৰ লেছেৰি বোটলা
■ সংগ্ৰহ : পংকজ কুমাৰ বৰা
২৮ বাতৰিৰ শীৰ্ষত
■ প্ৰণীতা দেৱী
২৯ সাধাৰণ জ্ঞানৰ সঁফুৰা
৩১ ক্ৰীড়াংগন
■ ভৱেশ্বৰ গোস্বামী
৩২ ড° ইন্দিৰা গোস্বামী আৰু ৰামায়ণী সাহিত্যৰ গৱেষণা
■ প্ৰাঞ্জল তালুকদাৰ

**সহযোগী সম্পাদক** : পংকজ দত্ত

**উপ-সম্পাদক** : কুশল গোস্বামী, প্ৰাঞ্জল তালুকদাৰ, লিপিমণি দত্ত

**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী

**মূল্য : বিছ টকা**

**অংগসজ্জা আৰু বেটুপাত** : কুঞ্জৰ দাস


**আলোকচিত্ৰ** : প্ৰকাশ দত্ত, ৰূপজ্যোতি চেতিয়া

**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত আৰু অবৈতনিক সচিব ডা° নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

# ভাৰতৰ মংগল অভিযান

**■ পংকজ দত্ত**



ভাৰতৰ মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰ'ৱে (Indian Space Research Organisation, ISRO) এক ইতিহাস সৃষ্টি কৰি মংগল গ্ৰহৰ কক্ষপথত ভাৰতৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ স্থাপন কৰিবলৈ সক্ষম হয়।

২০১৪ চনৰ ছেপ্টেম্বৰ মাহৰ ২৪ তাৰিখে ভাৰতীয় সময় অনুসৰি ৭:১৪:৩২ বজাত উপগ্ৰহটোৱে মংগল গ্ৰহৰ কক্ষপথত অধিষ্ঠিত হৈ গ্ৰহটোক প্ৰদক্ষিণ কৰিবলৈ আৰম্ভ কৰে। ভাৰতৰ বাবে এই অভিযান এই কাৰণেই গুৰুত্বপূৰ্ণ যে এই ক্ষেত্ৰত প্ৰথম পদক্ষেপতে সফল হোৱা ভাৰতবৰ্ষই হ'ল বিশ্বৰ প্ৰথমখন দেশ। ইয়াৰ আগতে আমেৰিকা, ছোভিয়েট ইউনিয়ন আৰু ইউৰোপীয় মহাকাশ গৱেষণা সংস্থাই মংগল গ্ৰহলৈ কৃত্ৰিম উপগ্ৰহ পঠিয়াইছিল যদিও প্ৰথম পদক্ষেপতেই সফল হ'ব পৰা নাছিল।

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ'ৱে প্ৰথম অৱস্থাত ২০১৩ চনৰ ২৮ অক্টোবৰ তাৰিখে মংগলযানখন উৎক্ষেপণ কৰাৰ কথা আছিল। কিন্তু প্ৰশান্ত মহাসাগৰৰ বতৰৰ অৱস্থা অনুকূল নোহোৱাৰ বাবে সেই কাৰ্যসূচী ৫ নৱেম্বৰলৈ পিছুৱাই দিয়া হয়। এই দিন ইয়াতকৈ আৰু বেছি পিছুৱাব পৰা নগৈছিল; কাৰণ মংগল গ্ৰহলৈ যান পঠিওৱাৰ যি সুবিধাজনক আন্তঃগ্ৰহীয় অৱস্থান সি প্ৰতি ২৬ মাহৰ মূৰে মূৰেহে আহে। এই অৱস্থানক 'ই মেন প্ৰতিস্থাপন কক্ষ' বোলা হয়। ২০১৩ চনত এই যানখন উৎক্ষেপণ নকৰা হ'লে ২০১৬ নাইবা ২০১৮ চনলৈ অপেক্ষা কৰিবলগীয়া হ'লহেঁতেন।

সাধাৰণতে আজিকালি কৃত্ৰিম উপগ্ৰহসমূহ PSLV (Polar Satellite Launching Vehicle) ৰকেটৰ সহায়ত উৎক্ষেপণ কৰা হয়। কিন্তু ভাৰতবৰ্ষই আগতে PSLV ৰকেটৰ ক্ষেত্ৰত আশানুৰূপ ফল লাভ নকৰাৰ বাবে GSLV (Geosyncronised sattelite Launching Vehicle) ৰকেটৰ সহায়ত মংগলযানখন উৎক্ষেপণ কৰাৰ সিদ্ধান্ত লয়।

গুণগতভাৱে GSLV ৰকেট PSLV ৰকেটতকৈ কম শক্তিশালী যদিও মংগলযানৰ ভৰৰ ক্ষেত্ৰত ইয়াক সঠিক বুলি বিবেচনা কৰা হৈছিল। এই উৎক্ষেপণৰ বাবে GSLV-C25 নামৰ এক বিশেষ ৰকেট সাজি উলিওৱা হয়।

অৱশেষত বহু অপেক্ষাৰ অন্তত ৫ নৱেম্বৰ তাৰিখে শ্ৰীহৰিকোটাৰ সতীশ ধাৱান উৎক্ষেপণ কেন্দ্ৰৰপৰা ১৪:২৪ বজাত ভাৰতৰ মংগলযান উৎক্ষেপণ কৰা হয়। প্ৰথম অৱস্থাত এই ৰকেটে মহাকাশযানখনক এক উপবৃত্তাকাৰ কক্ষপথত স্থাপন কৰে। এই কক্ষপথৰ পৃথিৱীৰপৰা নিম্নতম দূৰত্ব আছিল ২৬৪.১ কিমি. আৰু দীৰ্ঘতম দূৰত্ব আছিল ২৩,৯০৩.৬ কিমি.।

এই যানখনে গভীৰ মহাকাশত যোগাযোগ, দিশ নিৰ্ণয়, পৰিৱৰ্তন আদিৰ ব্যৱস্থাপনাও সফলতাৰে সম্পন্ন কৰে। মহাকাশযানখনত হঠাতে সৃষ্টি হোৱা সমস্যাৰ নিজাববীয়াকৈ সমাধান কৰাৰ ব্যৱস্থাও সংলগ্ন কৰা হৈছিল। মংগলযানে পৰৱৰ্তী পৰ্যায়ত গ্ৰহটোৰ পৃষ্ঠৰ বিষয়ে অধ্যয়ন কৰিব। লগতে তাত জীৱৰ বাবে অনুৰূপ পৰিৱেশৰ সন্ধান, খনিজ পদাৰ্থৰ সন্ধান, মংগলৰ বায়ুমণ্ডল আৰু ইয়াৰ বাহ্যিক গঠনৰ বিষয়ে অনুসন্ধান কৰিব।

কক্ষপথত থকাৰ সময়ত উপগ্ৰহটোৱে ৩ খন

চ'লাৰ পেনেলৰ (১.৮ মি. × ১.৪ মি.) সহায়ত সূৰ্যৰপৰা শক্তি আহৰণ কৰিব আৰু ইয়াৰপৰা লাভ কৰা শক্তিৰ ক্ষমতা হ'ব ৮৪০ ৱাট। এই বৈদ্যুতিক শক্তি ৩৬Ah লিথিয়াম আয়ন বেটাৰীত সঞ্চয় কৰি ৰখা হ'ব। উৎক্ষেপণৰ সময়ত ৰকেটটোত ব্যৱহাৰ কৰা প্ৰপেলাণ্টে যানখনক ৪৪০ নিউটনৰ এক উৰ্ধমুখী হেঁচা প্ৰদান কৰে যিয়ে ৰকেটটোক মাধ্যাকৰ্ষণৰ বিপৰীতে আগুৱাই লৈ যায়।

কৃত্ৰিম উপগ্ৰহটোত প্ৰায় ১৫ কিগ্ৰা. ভৰৰ যন্ত্ৰপাতি সংলগ্ন কৰা হৈছে। এই যন্ত্ৰপাতিবোৰে মংগল গ্ৰহৰ বিষয়ে তথ্য সংগ্ৰহৰ লগতে বিভিন্ন পৰীক্ষা-নিৰীক্ষাও সম্পাদন কৰিব। এই যন্ত্ৰবোৰৰ কাম এনে ধৰণৰ :

**ক) লেমেন আলফা ফ'টমিটাৰ (LAP) :** এই যন্ত্ৰবিধে মংগল পৃষ্ঠত হাইড্ৰ'জেন আৰু ডয়টেৰিয়ামৰ (হাইড্ৰ'জেনৰ এটা সমস্থানিক) সন্ধান কৰিব। লগতে এই আহিলাবিধে লেমেন আলফা বিকিৰণ নামৰ এক বিশেষ ৰশ্মিৰ বিষয়ে অনুসন্ধান কৰিব।

**খ) মিথেন চেঞ্চৰ ফৰ মাৰ্চ (MSM) :** এই আহিলাবিধে মংগল গ্ৰহত মিথেন গেছৰ বিষয়ে অনুসন্ধান কৰি তাৰ উপলব্ধতাৰ খচৰা প্ৰস্তুত কৰিব।

**গ) মাৰ্চ এক্স'স্ফেৰিক নিউট্ৰেল কম্প'জিছন এনালাইজাৰ (MENCA) :** মংগল গ্ৰহৰ উপৰিভাগৰপৰা অধিক উচ্চতাত থকা বায়ুত আধানহীন কণিকাৰ বিষয়ে অনুসন্ধান কৰি তাৰ সংযুতি বিশ্লেষণ কৰাৰ চেষ্টা চলাব।

**ঘ) থাৰ্মেল ইনফ্ৰাৰেড ইমেজিং স্পেক্ট্ৰ'মিটাৰ (TIS) :** এই আহিলাবিধে মংগল পৃষ্ঠ আৰু তাৰ বায়ুমণ্ডলৰ উষ্ণতা নিৰূপণ কৰিব। ইয়াৰোপৰি TISএ মংগল গ্ৰহৰপৰা হোৱা বিকিৰণ, গ্ৰহটোত পোৱা মণিক আদিৰ বিষয়ে অনুসন্ধান কৰিব।

**ঙ) মাৰ্চ কালাৰ কেমেৰা (MCC) :** মংগল যানত সংযুক্ত এই কেমেৰাটোৱে যানখনৰপৰা গ্ৰহটোৰ বিভিন্ন ছবি লৈ পৃথিৱীস্থিত কেন্দ্ৰলৈ প্ৰেৰণ কৰিব।

মংগলযানত (কৃত্ৰিম উপগ্ৰহ) পৃথিৱীৰ লগত যোগাযোগ ৰক্ষা কৰাৰ বাবে মুঠ ৪টা গ্ৰাহক আৰু প্ৰেৰক যন্ত্ৰ সংযুক্ত কৰা হৈছে। এই যন্ত্ৰৰ লগত তিনি প্ৰকাৰৰ এণ্টেনা ব্যৱহাৰ কৰা হৈছে। এই এণ্টেনাবোৰে এছ বেণ্ডৰ (S-band) ৰেডিঅ' তৰংগ ব্যৱহাৰ কৰি যোগাযোগ সম্পন্ন কৰিব। এছ বেণ্ড এক ধৰণৰ ৰেডিঅ' তৰংগ যাৰ কম্পনাংক ২ গিগা হাৰ্জৰপৰা ৪ গিগা হাৰ্জৰ ভিতৰত (১ গিগা হাৰ্জ = এশ কোটি হাৰ্জ)।

মংগলৰ কক্ষপথত প্ৰৱেশ কৰিয়েই উপগ্ৰহটোৱে ২৫ ছেপ্টেম্বৰ তাৰিখে গ্ৰহটোৰ সম্পূৰ্ণ আলোকচিত্ৰ পৃথিৱীলৈ পঠিয়াবলৈ সক্ষম হয়। ৩০ ছেপ্টেম্বৰৰ দিনা মংগল গ্ৰহৰ এক ত্ৰিমাত্ৰিক আলোকচিত্ৰ পঠিওৱাৰ উপৰি গ্ৰহটোৰ এটা উপগ্ৰহ ফ'ব'চৰ অলোকচিত্ৰ আৰু ভিডিঅ' ইছৰ'ৰ বাংগালুৰুত থকা কেন্দ্ৰলৈ প্ৰেৰণ কৰে। ইয়াৰ প্ৰায় এপযেক পিছত যানখনে (উপগ্ৰহটোৱে) এক সংকটৰ সন্মুখীন হয়। সূৰ্যৰপৰা প্ৰায় এক আলোকবৰ্ষ দূৰত থকা অ'ৰ্ট মেঘৰপৰা উৎপত্তি হোৱা স্লাইডিং স্প্ৰিং নামৰ এটা ধূমকেতু ১৯ অক্ট'বৰ তাৰিখে মংগল গ্ৰহৰ প্ৰায় ১৩৯০০ কিমি. ওচৰেদি পাৰ হৈ যায়। সেয়েহে 'কৃত্ৰিম উপগ্ৰহটোৰ কক্ষপথৰ অলপ সালসলনি ঘটাবলগীয়া হয়। ইয়াৰ বাবে অতিৰিক্ত প্ৰায় ১.৯ কিগ্ৰা. প্ৰপেলাণ্ট পুনৰ প্ৰজ্বলিত কৰিবলগীয়া হয়। নহ'লে মংগলযানখনে ধূমকেতুটোৰ নেজৰ মাজেৰে পাৰ হৈ গ'লহেঁতেন। এনে হোৱা হ'লে ধূমকেতুটোৰ নেজত থকা ধূলি-বালি বা অন্য কণিকাই যানখন বিধ্বস্ত কৰি পেলালেহেঁতেন।

বিশেষ ব্যৱসায়িক আৰু বৈদেশিক নীতিৰ আধাৰত বিভিন্ন দেশৰ মাজত সাধাৰণতে মহাকাশ প্ৰযুক্তিৰ আদান-প্ৰদান নহয়। ভাৰতবৰ্ষই সম্পূৰ্ণ নিজা প্ৰযুক্তিৰে এনে এখন যান উৎক্ষেপণ কৰি মহাকাশ অভিযানৰ ক্ষেত্ৰত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আমেৰিকাৰ মহাকাশ গবেষণা কেন্দ্ৰ নাছাই (NASA) ভৱিষ্যতে ভাৰতৰ লগত যুটীয়া মহাকাশ অভিযানত অংশগ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। এনে অভিযানে হয়তো ভাৰতৰ মহাকাশ গবেষণাক অধিক সাফল্যৰ ফালে আগুৱাই নিব।

প্ৰসংগ ঃ ১। বিভিন্ন কাকত ২। আমাৰ অসমৰ দেওবৰীয়া পৰিপূৰিকা 'পূৰ্বাচল' ৩। Zee News/ Front line ৪। Internet ৫। Pratiyogita Dorpan আদি। ❑

# টকিঅ’

■ সংগীতা দাস



চেৰীফুলৰ দেশ জাপান। পাতল গুলপীয়া ৰঙৰ সৰু সৰু চেৰীফুলবোৰ ডাল ভৰি ফুলি পৰ্যটকক যেন আদৰণি জনায় ধুনীয়া দেশখনলৈ। এই চেৰীফুলবোৰেই বসন্ত কালত আকৰ্ষণ কৰে গোটেই পৃথিৱীৰ পৰ্যটকক।

এই দেশখন সৰু-বৰ কেইবাহাজাৰো দ্বীপপুঞ্জ আৰু মূলতঃ চাৰিটা দ্বীপৰ সমষ্টি। ইয়াৰ মুঠ মাটিকালি হৈছে ৩,৭৭,৮৩৫ বৰ্গ কিমি. আৰু জনসংখ্যা হৈছে প্ৰায় ১২৮ নিযুত। জাপানৰ টকিঅ’ চহৰখন পৃথিৱীৰ অন্যতম ব্যয়বহুল চহৰ। এই চহৰখন ইমানে উন্নত যে আন চহৰবোৰৰ লগত ইয়াৰ তুলনাই নহয়। জাপানৰ মুঠ জনসংখ্যাৰ প্ৰায় ১০ শতাংশ কেৱল টকিঅ’ চহৰতে থাকে।

টকিঅ’ৰ এখন প্ৰসিদ্ধ ঠাই হৈছে গিন্‌জা। গিন্‌জা হৈছে এটা বজাৰ এলেকা। জাপানৰ ট’ক’গাৱা লেয়াচু নামেৰে এগৰাকী শাসনকৰ্তাই ১৬১৪ চনত এই অঞ্চলটো ব্যৱসায়িক কেন্দ্ৰৰূপে গঢ় দিয়ে। সাজ-পোছাক, জোতা-চেণ্ডেল, খেলৰ সামগ্ৰী, বৈদ্যুতিক সৰঞ্জাম, গাড়ী-মটৰ আদিৰ পৃথিৱীৰ ভিতৰত আটাইতকৈ দামী কোম্পানীবোৰৰ বিপণন কেন্দ্ৰ ইয়াত দেখা যায়। ইয়াত নিজৰ কোম্পানীৰ বিপণন কেন্দ্ৰ খুলিব পৰাটো এটা সন্মানৰ কথা বুলি গণ্য কৰা হয়।

জাপানৰ আন এটা আকৰ্ষণ হৈছে ইয়াৰ ৰাজপ্ৰাসাদটো। বৰ্তমানৰ ৰজা-ৰাণী থকা এই ৰাজপ্ৰাসাদটো টকিঅ’ মহানগৰীৰ সোঁমাজতে চীয়ডা-কু নামৰ ঠাইখনত আছে। সেউজীয়া ঘাঁহনিৰ দলিচাৰে ঢকা এই ঠাইটুকুৰা এখন পাৰ্কৰ দৰে সজাই ৰখা হৈছে। এই ইম্পেৰিয়েল পেলেছটোক জাপানীসকলে ‘ককঅ’ বুলি কয়। এই প্ৰাসাদটো এখন বৃহৎ পকী বেৰেৰে আগুৰি ৰখা হৈছে। তদুপৰি বেৰখনৰ কাষেৰে দ খাৱৈ খান্দি ৰাজপ্ৰাসাদটো সুৰক্ষিত কৰি ৰখা হৈছে। দ্বিতীয় মহাসমৰৰ সময়ত এই প্ৰাসাদটোৰ কিছু ক্ষতি হয় যদিও পিছত ইয়াক মেৰামতি কৰা হয়। বৰ্তমানো জাপানৰ ৰজা-ৰাণী ইয়াত বাস কৰে বাবে ৰাজপ্ৰাসাদটোৰ এটা অংশলৈহে পৰ্যটকক প্ৰৱেশৰ অনুমতি দিয়ে।

টকিঅ’ মহানগৰীত থকা ডায়েট (Diet) বিল্ডিংটো ৰাজনৈতিক দিশত গুৰুত্বপূৰ্ণ। ইয়াৰপৰাই সমগ্ৰ দেশখন পৰিচালিত হয়। প্ৰধানমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰীসকলৰ কাৰ্যালয় ইয়াতেই অৱস্থিত। জাপানত প্ৰধান মন্ত্ৰীয়েই দেশখনৰ মুৰব্বী। কিন্তু আমাৰ চুবুৰীয়া দেশ নেপালৰ দৰে ইয়াতো ৰাজ পৰিয়ালৰ একোজন আলংকাৰিক ৰজা আছে। অতীতত এই ৰজাজনৰ পূৰ্বপুৰুষেই দেশখন শাসন কৰিছিল। জাপানত ২০ বছৰ বয়সতহে নাগৰিকে ভোটাধিকাৰ পায়।

১৯৫৮ চনত টকিঅ’ চহৰত স্থাপন কৰা টকিঅ’ টাৱাৰ পৃথিৱী বিখ্যাত। দ্বিতীয় মহাসমৰৰ পাছত জাপানৰ অৰ্থনীতিৰ পুনৰুত্থানৰ প্ৰতীকৰূপে এই টকিঅ’ টাৱাৰ নিৰ্মাণ কৰা হয়। দেশ-বিদেশৰ বহুতো পৰ্যটক এই টাৱাৰটো চাবলৈ আহে। ৩৩৩ মিটাৰ ওখ এই টাৱাৰটোৰ ওপৰলৈ উঠিবলৈ লিফ্‌টৰ ব্যৱস্থা আছে। ৰাতিপুৱা ৯ বজাৰপৰা ৰাতি ১০ বজালৈ পৰ্যটকেৰে এই অঞ্চল গিজগিজাই থাকে। এই টাৱাৰটোৰপৰা গোটেই টকিঅ’ মহানগৰখন দেখা যায়। শেষত ক’ব পাৰি যে টকিঅ’ৰ মনোৰম পৰিবেশে নগৰখনলৈ বিশ্বজোৰা প্ৰসিদ্ধি আনিছে। ❑

# শিশু সাহিত্যিক নৰকান্ত বৰুৱা

■ অপৰ্ণা দেৱী

ৰ'দে বৰষুণে খঁৰা শিয়ালৰ বিয়া
ঘৰচিৰিকাই তামোল কাটে আমাকো এখন দিয়া।



ৰ'দৰ বতৰত হঠাতে এজাক বৰষুণ নামি আহিলে তাহানি সৰু ল'ৰা-ছোৱালীবোৰে পিৰালিত জঁপিয়াই জঁপিয়াই সেইফাকি কবিতা আওৰাইছিল। সেই সৰু ল'ৰা-ছোৱালীবোৰে আকৌ বিদ্যালয়লৈ গৈ সমস্বৰে আওৰাইছিল কুঁহিপাঠৰ 'এক্কা গাড়ীত উঠি সত্য দিল্লীলৈ যায়, ওখ-ওখ অট্টালিকা দেখি চমক খায়' শীৰ্ষক কবিতা। কেইবাটাও প্ৰজন্মৰ শিশুসকলৰ শৈশৱ কবিতাৰ মাধুৰ্যৰে মধুৰ কৰি তোলা কবিগৰাকীয়েই আছিল নৰকান্ত বৰুৱা।

নৰকান্ত বৰুৱাই শিশুৰ বাবে লিখিবলৈ আৰম্ভ কৰিছিল 'ৰংঘৰ' আলোচনীত। তেখেতে এখুদ ককাইদেউ, এখুদ ভাইটি, এখুদ ককা, সপোন ককা, ন-আইতা আদি বিভিন্ন ছদ্মনামেৰে কবিতা, ধেমেলীয়া কবিতা, শিশু উপন্যাস, অন্যান্য গদ্যৰচনা, শিশু নাট আৰু বিবিধ সমলেৰে অসমীয়া শিশু সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

শিশু সাহিত্যক 'প্ৰাণৰ সাহিত্য' বুলি অভিহিত কৰা বৰুৱাদেৱৰ 'শিয়ালী পালেগৈ ৰতনপুৰ' আৰু 'আখৰৰ জখলা' দুয়োখনেই কালজয়ী শিশু উপন্যাস। 'শিয়ালী পালেগৈ ৰতনপুৰ' নামৰ শিশু উপন্যাসখনৰ বাবে ১৯৫৮ চনতেই বৰুৱাদেৱে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল। বৰুৱাদেৱৰদ্বাৰা ৰচিত শিশু নাটকেইখন হ'ল 'কেৰেলুৱাৰ ৰেল', 'মনত পৰাৰ শব্দ', 'কাগজ-কলমৰ ৰণ', 'গোলাপ আৰু বেলিফুল' আৰু 'মই টুনিয়ে টুনটুনালোঁ।'

নৰকান্ত বৰুৱাদেৱে শিশুসকলৰ মনোজগতত বিচৰণ কৰাৰ চেষ্টা কৰিছিল। তাৰেই প্ৰমাণ—

'এঠেঙীয়া বগলি হে নাচে/তামোলৰে পুলি/হাত মেলিছে নীলা আকাশ/ঢুকি পাওঁগে বুলি' ধৰণৰ গীতি কবিতাবোৰ। তেখেতৰ সেই অমৰ সৃষ্টিৰাজিয়ে সকলোৰে অন্তৰ জয় কৰিবলৈ সক্ষম হৈছে। বৰুৱাদেৱে এই সংসাৰ ত্যাগ কৰিলে ঠিকেই কিন্তু মানুহ আৰু পৃথিৱীপ্ৰেমী কবিগৰাকীয়ে নিজেও যেন পুনৰ পৃথিৱীলৈ ঘূৰি অহাৰ এটা বাসনা অন্তৰত পুহি ৰাখিছিল। তাৰ প্ৰমাণ তেখেতেই দি গৈছে কবিতাৰ মাজেৰে—

'মই এই বাটেৰেই/এবাৰ আহিছো। আকৌ আহিব পাৰোঁ।/নতুন চিনাকি আকৌ দিবহি পাৰোঁ/ তোমালোকে মোক তেতিয়া পাবানে চিনি/নেজানিলোঁ, মই নেজানিলোঁ।'

নৰকান্ত বৰুৱাদেৱৰ চেহেৰা সকলো শিশুৱে মনত নাথাকিব পাৰে, কিন্তু আমাৰ ৰাজ্যৰ মাতৃভাষাৰ পাঠ্যপুথিত থকা সেই জনপ্ৰিয় ৰসপূৰ্ণ কবিতা—


'একোকে নাখাওঁ আজি/একেবাৰে ভোক নাই/আছে যদি আধাসেৰ/চিৰা দিবা ভাল চাই...' বুলি আৰম্ভ হোৱা 'লঘোন' পদ্যটো জানো কোনোবাই পাহৰিব পাৰে? নিশ্চয় নোৱাৰে। বছৰে বছৰে স্কুলীয়া ছাত্ৰই আওৰাব সেই বিখ্যাত কবিতাবোৰ আৰু শৈশৱৰপৰা গৈ কৈশোৰ অৱস্থাত সেই আওৰোৱা কবিতাবোৰৰ অনুপম ৰস উপলব্ধি কৰিব।

শিশুৰ সৰলতা আৰু নিষ্পাপ হাঁহিয়ে মন হৰি নিয়া নৰকান্ত বৰুৱাৰ সাহিত্যৰাজিৰ বাবে প্ৰতিজন অসমীয়াই তেওঁক মনত ৰাখিব। ❑

*(২৯ ডিচেম্বৰ তাৰিখে নৰকান্ত বৰুৱাদেৱৰ জন্মবাৰ্ষিকী উপলক্ষে লেখাটি যুগুত কৰা হ'ল।)*

■ সংগ্ৰহ : কুশল গোস্বামী

## অডুৰ গোপালকৃষ্ণণলৈ ড° ভূপেন হাজৰিকা আন্তঃৰাষ্ট্ৰীয় বঁটা



অসম সাহিত্য সভাৰ বিশ্বৰত্ন ড° ভূপেন হাজৰিকা আন্তঃৰাষ্ট্ৰীয় সমন্বয় বঁটা-২০১৫ৰ বাবে নিৰ্বাচিত কৰা হৈছে বিশিষ্ট চলচ্চিত্ৰ পৰিচালক অডুৰ গোপালকৃষ্ণণক। নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষৰ আৰ্থিক সাহায্যৰে অসম সাহিত্য সভাই এই বঁটা ২০১৩ চনৰপৰা প্ৰৱৰ্তন কৰিছিল। এই বঁটা প্ৰতি দুবছৰৰ মূৰে মূৰে প্ৰদান কৰা হয়। অহা বছৰ মাৰ্চ মাহত গুৱাহাটীত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰিব বুলি সাহিত্য সভাৰ প্ৰধান সম্পাদক প্ৰহ্লাদ চন্দ্ৰ তাছাই প্ৰকাশ কৰিছে। প্ৰথম বছৰ এই বঁটা লাভ কৰিছিল বাংলাদেশৰ শিল্পী-গৱেষক লুবনা মৰিয়মে। এই বঁটাত আছে স্মাৰক, গামোচা, চেলেং চাদৰ, গ্ৰন্থৰ টোপোলা, সম্বৰ্ধনা পত্ৰ আৰু নগদ পাঁচ লাখ টকা।

এই বৰ্ষৰ বঁটাপ্ৰাপক অডুৰ গোপালকৃষ্ণণ পুনে ফিল্ম এণ্ড টেলিভিশ্বন ইনষ্টিটিউটৰ স্নাতক। গোপালকৃষ্ণণৰ উল্লেখযোগ্য ছবিবোৰ হৈছে স্বয়ম্বড়ম, এলিপট্টায়ম, অনন্তৰম, বিধেয়ন, মাদিলুকাল আদি। এতিয়ালৈকে যোল্লটা চলচ্চিত্ৰ বঁটা লাভ কৰা গোপালকৃষ্ণণে পাঁচবাৰতকৈয়ো অধিক শ্ৰেষ্ঠ পৰিচালক আৰু শ্ৰেষ্ঠ ছবিৰ বাবে ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হৈছে। দাদাচাহেব ফাল্কে বঁটা বিজয়ী গোপালকৃষ্ণণক ভাৰত চৰকাৰে পদ্মবিভূষণ বঁটাৰেও বিভূষিত কৰিছে।

## ড° মনমোহন সিঙলৈ জাপানৰ শীৰ্ষ ৰাষ্ট্ৰীয় সন্মান

ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ড° মনমোহন সিঙক জাপানৰ অন্যতম শীৰ্ষ ৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত কৰা হৈছে। যোৱা ৫ নৱেম্বৰ তাৰিখে জাপানৰ ৰাজধানী টকিঅ'ৰ 'ইম্পেৰিয়েল পেলেছ'ত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জাপানৰ ৰজা আকিহিট'ৱে ড° সিঙক এই সন্মান চৰকাৰীভাৱে প্ৰদান কৰে। ড° সিঙে লাভ কৰা এই বিশিষ্ট সন্মানটোৰ নাম হ'ল 'দ্য গ্ৰাঁ কৰ্ডন অৱ দ্য অৰ্ডাৰ অৱ দ্য প'লনিয়া ফ্লাৱাৰ্ছ'। জাপান আৰু ভাৰতৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক আৰু বন্ধুত্ব সুদৃঢ় কৰাৰ ক্ষেত্ৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ বাবেই জাপানৰ এই শীৰ্ষ সন্মান প্ৰদান কৰা হৈছে। ড° মনমোহন সিং হৈছে এই সন্মান লাভ কৰা প্ৰথমগৰাকী ভাৰতীয়।

## ভাৰতীয় মূলৰ ২৩ বছৰীয়া নীৰজ মাৰ্কিন সংসদলৈ নিৰ্বাচিত


নীৰজ এণ্টানি নামৰ ভাৰতীয় মূলৰ ২৩ বছৰীয়া যুৱকজনে যোৱা ৫ নৱেম্বৰত মাৰ্কিন কংগ্ৰেছৰ নিম্ন সদন 'হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছ'লৈ নিৰ্বাচিত হৈ অন্যতম কনিষ্ঠ সাংসদ হিচাপে পৰিচিত হয়। নীৰজ এণ্টানিয়ে 'অহায়'ৰপৰা নিৰ্বাচিত হয়। ৰিপাব্লিকান দলৰ নীৰজে ডেম'ক্ৰেটিক পাৰ্টিৰ ৬২ বছৰীয়া পেট্ৰিক মৰিছক পৰাস্ত কৰি এই বিজয় সাব্যস্ত কৰে। অহায়' ষ্টেট বিশ্ববিদ্যালয়ৰপৰা ৰাজনীতি বিজ্ঞানত ২০১৩ বৰ্ষত স্নাতক ডিগ্ৰী গ্ৰহণ কৰা নীৰজে বৰ্তমান আইনৰ স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰি আছে।

## মোডী মন্ত্ৰীসভাৰ প্ৰথম সম্প্ৰসাৰণ

যোৱা ৯ নৱেম্বৰ তাৰিখে নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হয়। ৰাষ্ট্ৰপতি ভৱনৰ দৰবাৰ হলত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে নৱনিযুক্ত মন্ত্ৰীসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। মোডী মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰা ২১ গৰাকী মন্ত্ৰীৰ ভিতৰত চাৰিগৰাকীক কেবিনেট মন্ত্ৰী হিচাপে, তিনিগৰাকীক ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী হিচাপে আৰু ১৪ গৰাকীক ৰাজ্যিক মন্ত্ৰী হিচাপে দায়িত্ব দিয়া হৈছে। কেবিনেট মন্ত্ৰী হিচাপে ক্ৰমে গোৱাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ পাৰিকৰ, সুৰেশ প্ৰভু, জগত প্ৰকাশ নন্দা আৰু

চৌধুৰী বীৰেন্দ্ৰ সিঙক দায়িত্ব অৰ্পণ কৰা হৈছে। এই সম্প্ৰসাৰণৰ ফলত মোডী মন্ত্ৰীসভাৰ মন্ত্ৰীৰ সংখ্যা ৬৬ জনলৈ বৃদ্ধি পাইছে।

## শচীনৰ আত্মজীৱনী 'প্লেয়িং ইট মাই ৱে' উন্মোচন




ক্ৰিকেটৰ জীৱন্ত কিংবদন্তী শচীন তেণ্ডুলকাৰৰ আত্মজীৱনী 'প্লেয়িং ইট মাই ৱে' (Playing It My Way) যোৱা ৫ নৱেম্বৰ তাৰিখে মুম্বাইৰ এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। আত্মজীৱনীখন তেণ্ডুলকাৰে নিজে উন্মোচন কৰে।

এই বহুলচৰ্চিত আত্মজীৱনীখনত সহযোগী লিখক হিচাপে দায়িত্ব পালন কৰিছে বিশিষ্ট লেখক আৰু ক্ৰীড়া সাংবাদিক বৰীয়া মজুমদাৰে। প্ৰায় পাঁচশ পৃষ্ঠাৰ বৃহৎ কলেৱৰৰ এই কিতাপখন লিখি উলিয়াবলৈ তেওঁলোকক তিনি বছৰৰ প্ৰয়োজন হৈছে। এই গ্ৰন্থখন প্ৰকাশ কৰিছে 'হেক্সেট্ ইণ্ডিয়া'ই। ইতিমধ্যে কেবালাখ কপি বিক্ৰী হোৱা আত্মজীৱনীখনে বিক্ৰীৰ ক্ষেত্ৰত নতুন অভিলেখ স্থাপন কৰিছে।

## বিশ্ব বিলিয়াৰ্ডছ চেম্পিয়নশ্বিপৰ খিতাপ জয় পংকজ আদৱানিৰ

পংকজ আদৱানিয়ে ২০১৪ বৰ্ষত বিশ্ব বিলিয়াৰ্ডছ চেম্পিয়নশ্বিপৰ খিতাপ জয় কৰিছে। চেম্পিয়নশ্বিপৰ ফাইনেল খেলত তেওঁ ছিংগাপুৰৰ পিটাৰ গিলক্ৰিষ্টক পৰাস্ত কৰি এই খিতাপ জয় কৰিবলৈ সক্ষম হয়। পূৰ্ব চেম্পিয়ন গিলক্ৰিষ্টক তেওঁ ৬-২ ব্যৱধানত হৰুৱাই একাদশ বিশ্ব খিতাপ জয় কৰিছে। ইতিমধ্যে তেওঁ জয়লাভ কৰা খিতাপকেইটা হ'ল আই বি এছ এফ বিশ্ব ছিক্সৰেণ স্নুকাৰ খিতাপ, বিশ্ব টীম বিলিয়াৰ্ডছ খিতাপ আৰু বিশ্ব বিলিয়াৰ্ডছ চেম্পিয়নশ্বিপ খিতাপ।

## হাউছ অৱ লৰ্ডছলৈ আমন্ত্ৰিত অৰ্ণৱ গোস্বামী

অসম সন্তান আৰু দেশৰ আগশাৰীৰ বিশিষ্ট সাংবাদিক, 'টাইমছ নাও' (Times Now) চেনেলৰ মুখ্য সম্পাদক অৰ্ণৱ গোস্বামীক ইংলেণ্ডৰ 'হাউছ অৱ লৰ্ডছ' (House of Lords) আৰু অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ে এলানি বক্তৃতা দিবৰ বাবে আমন্ত্ৰণ জনায়। তাত তেওঁ যোৱা ৯ আৰু ১০ নৱেম্বৰত সংবাদ মাধ্যমৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। এই প্ৰসিদ্ধ সাংবাদিকগৰাকী অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।

## মালালা ইউছুফজাইক আমেৰিকাৰ সন্মানীয় 'লিবাৰ্টী মেডেল' প্ৰদান

পাকিস্তানৰ সাহসী কিশোৰী তথা ২০১৪ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা বিজয়ী মালালা ইউছুফজাইক আমেৰিকা যুক্তৰাজ্যই আগবঢ়াইছে সন্মানীয় 'লিবাৰ্টী মেডেল'। 'লিবাৰ্টী মেডেল' লাভ কৰা মালালাই হৈছে বিশ্বৰ সবাতোকৈ কনিষ্ঠ ব্যক্তি। এই সন্মানে মালালাক নাৰী শিক্ষাৰ হকে কাম কৰি যোৱাত অধিক প্ৰেৰণা দিব বুলি আশা কৰা হৈছে। মালালাই ইতিমধ্যে 'লিবাৰ্টী মেডেল'ৰ সৈতে লাভ কৰা ১ লাখ ডলাৰ পাকিস্তানৰ শিক্ষাখণ্ডলৈ আগবঢ়াইছে। উল্লেখযোগ্য, মালালাৰ পূৰ্বে এই সন্মানীয় বঁটা লাভ কৰিছে হিলাৰী ক্লিণ্টন, টনী ব্লেয়াৰ, জৰ্জ ডব্লিউ বুশ্ব, কফি আন্নান, বিল ক্লিণ্টন আৰু হামিদ কাৰজায়ে। ১৯৮৮ চনৰপৰা প্ৰবৰ্তন কৰা এই 'লিবাৰ্টী মেডেল' মানৱ স্বাধীনতা আৰু অধিকাৰৰ হকে কাম কৰি অহা পুৰুষ-মহিলালৈ আগবঢ়োৱাঁ হয়।

## বলিষ্ঠ অভিনেতা সদাশিৱ অম্ৰাপুৰকাৰৰ দেহাৱসান

হিন্দী আৰু মাৰাঠী চিনেমাজগতৰ প্ৰখ্যাত অভিনেতা সদাশিৱ অম্ৰাপুৰকাৰৰ যোৱা ৩ নৱেম্বৰ তাৰিখে মুম্বাইৰ ককিলাবেন ধীৰুভাই আম্বানি হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ। খলনায়ক আৰু ধেমেলীয়া চৰিত্ৰত কৰা অভিনয়ৰ বাবে খ্যাত অম্ৰাপুৰকাৰে সাৱলীল অভিনয়েৰে প্ৰতিজন দৰ্শকৰ মনত মচিব নোৱৰা সাঁচ

বহুৰাবলৈ সক্ষম হৈছিল। ১৯৫০ চনৰ ১১ মে'ত জন্মগ্ৰহণ কৰা অন্ৰাপুৰকাৰৰ প্ৰকৃত নাম আছিল গণেশ কুমাৰ মাৰবোড়ে। পুণে বিশ্ববিদ্যালয়ৰপৰা ইতিহাসত স্নাতকোত্তৰ ডিগ্ৰীধাৰী অন্ৰাপুৰকাৰে মাৰাঠী থিয়েটাৰৰ জৰিয়তে অভিনয় জীৱনৰ পাতনি মেলিছিল। অন্ৰাপুৰকাৰে হিন্দী, মাৰাঠী, বঙালী, উড়িয়া আদি ভাষাৰ ৩০০তকৈ অধিক চিনেমাত অভিনয় কৰিছিল।

## ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদলৈ ভাৰত নিৰ্বাচিত

যোৱা ২২ অক্ট'বৰ তাৰিখে অনুষ্ঠিত নিৰ্বাচনত ভাৰতে ক্ৰমাগতভাৱে দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদলৈ নিৰ্বাচিত হৈছে। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদত এছিয়াৰ দেশসমূহৰ বাবে চাৰিখন আসন আছে। এই জয়লাভে মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰি অহা স্থিতি আৰু ৰাষ্ট্ৰসংঘত ভাৰতৰ গুৰুত্বৰ কথাকে প্ৰতীয়মান কৰিছে। এই নিৰ্বাচনত ভাৰতে সৰ্বাধিক ১৬২টা ভোট লাভ কৰে। উল্লেখযোগ্য, ৰাষ্ট্ৰসংঘত নিৰাপত্তা পৰিষদৰ পিছতে মানৱ অধিকাৰ পৰিষদৰ স্থান। এছিয়া মহাদেশৰপৰা ভাৰতৰ লগতে এই পৰিষদলৈ নিৰ্বাচিত হৈছে ইণ্ডোনেছিয়া, বাংলাদেশ আৰু কাটাৰ।

## অসমৰ অধ্যাপকৰ গ্ৰন্থ হাৰ্ভাৰ্ডৰ পাঠ্যক্ৰমত

২০১৪ চনৰ জানুৱাৰি মাহত বিশ্বৰ বজাৰত মুকলি হোৱা 'দক্ষিণ-পূব এছিয়াৰ মহিলা' শীৰ্ষক গ্ৰন্থখনে ইতিহাস গঢ়িবলৈ সক্ষম হৈছে। নগাঁও মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ সহযোগী অধ্যাপক ড° সুৰজিৎ কুমাৰ ভাগৱতীয়ে লিখা এই গ্ৰন্থখন ইতিমধ্যে অন্তৰ্ভুক্ত হৈছে আমেৰিকা, ইউৰোপ আৰু এছিয়া মহাদেশৰ প্ৰায় ৩০ খন বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম হিচাপে। ১৭শ শতিকাৰপৰা বৰ্তমানলৈকে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত দক্ষিণ-পূব এছিয়াৰ ১১ খন দেশৰ মহিলাসকলে প্ৰদৰ্শন কৰা ভূমিকাৰ লগতে তেওঁলোকৰ ত্যাগৰ তথ্যভিত্তিক লেখাই হৈছে গ্ৰন্থখনৰ প্ৰধান উপজীব্য।

তথ্যসমৃদ্ধ এই গ্ৰন্থখনক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা প্ৰধান বিশ্ববিদ্যালয়সমূহ হৈছে—হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়, হাৱাই বিশ্ববিদ্যালয়, লণ্ডন বিশ্ববিদ্যালয়, ছিংগাপুৰ নেশ্বনেল বিশ্ববিদ্যালয়, অষ্ট্ৰেলিয়া নেশ্বনেল বিশ্ববিদ্যালয়, ৱাশ্বিংটন বিশ্ববিদ্যালয়, আহিয়' বিশ্ববিদ্যালয় ইত্যাদি। উল্লেখ্য, গ্ৰন্থখনত অন্তৰ্ভুক্ত দক্ষিণ-পূব এছিয়াৰ দেশকেইখন হৈছে—ম্যানমাৰ, লাউচ, কম্বোডিয়া, থাইলেণ্ড, ভিয়েটনাম, ইণ্ডোনেছিয়া, ছিংগাপুৰ, টিমুৰ, ফিলিপাইন, মালয়েছিয়া আৰু ব্ৰুনেই। ১৮৭০ চনৰপৰা ১৯৪২ চনলৈকে সম্পূৰ্ণ ইউৰোপিয়ানৰ নিয়ন্ত্ৰণত থকা এই দেশকেইখনত চাহ খেতি, ৰবৰ, ধঁপাত আৰু চেনি উৎপাদন ক্ষেত্ৰত নিয়োজিত মহিলা শ্ৰমিকসকলক কিদৰে ব্ৰিটিছ আৰু ফৰাচী সৈন্যই শাৰীৰিক নিৰ্যাতন চলাইছিল আৰু সামাজিক জীৱনত এই নিৰ্যাতিত মহিলাসকলে কিদৰে নিজৰ বৈবাহিক জীৱন কটাইছিল তাৰ হৃদয় বিদাৰক কাহিনী প্ৰকাশ পাইছে গ্ৰন্থখনত। দক্ষিণ-পূব এছিয়াৰ মহিলাৰ বিকাশৰ বাবে বিভিন্ন সময়ত ত্যাগ স্বীকাৰ কৰি মহান হোৱা ন'বেল বঁটা বিজয়ী ম্যানমাৰৰ আং ছেন ছু্য-কীৰ লগতে আন ১৩ গৰাকী মহিলাৰ জীৱনৰ বিষয়েও লেখা অন্তৰ্ভুক্ত হৈছে গ্ৰন্থখনত। গ্ৰন্থখনৰ লেখক ড° ভাগৱতীয়ে এই গ্ৰন্থখনৰ তথ্যসমূহ সংগ্ৰহ কৰিবলৈ ২০০৯ চনৰপৰা ২০১২ চনলৈ দক্ষিণ এছিয়াৰ এই দেশবোৰ ভ্ৰমণ কৰিছিল।

## আমেৰিকাৰ গৌৰৱ 'ৱৰ্ল্ড ট্ৰেড চেণ্টাৰ' মুকলি



২০০১ চনৰ ১১ ছেপ্টেম্বৰত বিশ্ব ত্ৰাস সন্ত্ৰাসবাদী সংগঠন আল-কাইদাই আক্ৰমণ চলাই আমেৰিকাৰ 'টুইন টাৱাৰ' ধ্বংস কৰাৰ ১৩ বছৰৰ পিছত ইয়াক পুনৰ মুকলি কৰা হৈছে। মূল স্থানৰ নিচেই সমীপতে নকৈ নিৰ্মাণ কৰা অট্টালিকাটোৰ নতুন নাম 'ৱান ৱৰ্ল্ড ট্ৰেড চেণ্টাৰ' ৰখা হৈছে। যোৱা ৩ নৱেম্বৰৰ তাৰিখে এই অট্টালিকাটো আনুষ্ঠানিকভাৱে

উদ্বোধন কৰা হয়। এই আটকধুনীয়া অট্টালিকাটোৰ উচ্চতা হ'ল ১,৭৭৬ ফুট আৰু ইয়াত ১০৪টা মহলা আছে। মালহাটানৰ ২৮৫ ফুল্টন ষ্ট্ৰীটত নিৰ্মিত এই অট্টালিকাটোৰ নিৰ্মাণ কাৰ্য ২০০৬ চনৰ ২৭ এপ্ৰিলত আৰম্ভ কৰা হৈছিল। এই অট্টালিকাটো হৈছে ব্ৰিটেইনৰপৰা স্বাধীনতা লাভ কৰাৰ পিছত আমেৰিকাত নিৰ্মাণ হোৱা সৰ্বোচ্চ অট্টালিকা। এই বাণিজ্য কেন্দ্ৰটোৰ নক্সা তৈয়াৰ কৰিছে বিখ্যাত স্থপতিবিদ ডেভিদ চাইল্ডছে।

## অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰা

অসমৰ বিশিষ্ট সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰাক অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি হিচাপে নিৰ্বাচিত কৰা হৈছে। যোৱা ১৬ নৱেম্বৰ তাৰিখে দেৰগাঁৱত অনুষ্ঠিত সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ অধিৱেশনত এই সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰা হয়। লগতে উপ-সভাপতি হিচাপে প্ৰহ্লাদ তাছা আৰু প্ৰধান সম্পাদক হিচাপে ড° পৰমানন্দ ৰাজবংশী নিৰ্বাচিত হয়। প্ৰকাশিত নিৰ্বাচনৰ ফলাফল অনুসৰি মুঠ ৮৭৪টা ভোটৰ ভিতৰত ডাঃ বৰাই ৩৯৭টা ভোট লাভ কৰি এই সন্মানীয় পদবীটোলৈ নিৰ্বাচিত হৈছে। অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ডাঃ বৰাৰ জন্ম হৈছিল ১৯৫৫ চনৰ ২৭ নৱেম্বৰত শ্বিলঙত। তেওঁ 'কথা ৰত্নাকৰ' উপন্যাসখনৰ বাবে ২০০৯ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছে। তেওঁৰ পিতৃৰ নাম ড° মহেন্দ্ৰনাথ বৰা। পেচাত চিকিৎসক ডাঃ বৰাৰ প্ৰকাশিত আন উল্লেখযোগ্য গ্ৰন্থবোৰ হ'ল—মোৱামৰীয়া গণ অভ্যুত্থান, জাতীয় প্ৰশ্ন আৰু আত্মনিয়ন্ত্ৰণ, ফৰাচী বিপ্লৱ, দ্বিতীয় মহাসমৰ, ইতিহাস চিন্তা, লোহা, ৰুছ বিপ্লৱ (প্ৰথম আৰু দ্বিতীয় খণ্ড), কালান্তৰৰ গদ্য ইত্যাদি।

## জি-২০ শীৰ্ষ সন্মিলনত মোডীৰ অংশগ্ৰহণ

যোৱা ১৫ নৱেম্বৰৰপৰা অষ্ট্ৰেলিয়াৰ ব্ৰিছবেন চহৰত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অংশগ্ৰহণ কৰে। এই সন্মিলনত বিদেশৰ বেংকত জমা হৈ থকা ক'লা ধন আৰু সন্ত্ৰাসবাদ, অস্ত্ৰ-শস্ত্ৰৰ চোৰাং বেহাৰ ওপৰত বিশেষভাৱে আলোচনা কৰা হয়। এই ভ্ৰমণকালতে প্ৰধানমন্ত্ৰী মোডীয়ে ১৬ নৱেম্বৰ তাৰিখে কুইনছলেণ্ডৰ ৰোমা ষ্ট্ৰীত স্থিত পাৰ্কলেণ্ডত জাতিৰ পিতা মহাত্মা গান্ধীৰ এটা ব্ৰঞ্জৰ মূৰ্তি উন্মোচন কৰে। যোৱা ১২ নৱেম্বৰৰপৰা আৰম্ভ কৰা দহদিনীয়া তিনি দেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত দ্বীপৰাষ্ট্ৰ ফিজিত উপস্থিত হৈ প্ৰধানমন্ত্ৰী মোডীয়ে এটা শক্তি প্ৰকল্পৰ বাবে ৭০ নিযুত ডলাৰৰ ঋণ তথা ক্ষুদ্ৰ উদ্যোগ আৰু দেশখনৰ গাঁওসমূহৰ বিকাশৰ বাবে ৫ নিযুত ডলাৰ ধন সাহায্য হিচাপে আগবঢ়োৱাঁৰ কথা ঘোষণা কৰে। ১৯৮১ চনত ইন্দিৰা গান্ধীৰ পিছত প্ৰথম ভাৰতীয় প্ৰধানমন্ত্ৰীৰূপে ফিজিত উপস্থিত হোৱা মোডীক বিপুলভাৱে পৰম্পৰাগত প্ৰথাৰে আদৰণি জনোৱা হয়। দুয়োখন দেশৰ মাজত তিনিখন দ্বি-পাক্ষিক চুক্তিও স্বাক্ষৰিত হয়। এই দীঘলীয়া যাত্ৰাৰ আৰম্ভণিতে মোডীয়ে ম্যানমাৰ ভ্ৰমণ কৰি আছিয়ান (Association of South East Asian Nations) সভাতো অংশগ্ৰহণ কৰিছিল।

## কাব্যনীল তালুকদাৰৰ কৃতিত্ব

যোৱা ১ নৱেম্বৰৰপৰা ৩ নৱেম্বৰলৈ জাপানৰ টকিঅ' মহানগৰৰ মেৰিনো হলত ৰুবিকচ কিউব এছিয়ান চেম্পিয়নশ্বিপ ('Rubik's Cube Asian Championship') অনুষ্ঠিত হয়। অসম জাতীয় বিদ্যালয়ৰ ছাত্ৰ কাব্যনীল তালুকদাৰে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ব্লাইণ্ডফোল্ড শাখাত চকুৰে নোচোৱাকৈ ২৫ ছেকেণ্ডত কিউব সমাধান কৰে। এই কৃতিত্বৰ বাবে তেওঁ চেম্পিয়নৰ খিতাপ পায়। আকৌ মাল্টি ব্লাইণ্ডফোল্ড শাখাত কাব্যনীলে চকুৰে নোচোৱাকৈ ১২টা কিউব সমাধান কৰি চেম্পিয়ন হয় আৰু সোণৰ পদক লাভ কৰে। লগতে অ' এইচ (One handed) শাখাত তেওঁ ব্ৰঞ্জৰ পদক লাভ কৰি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছে। উক্ত প্ৰতিযোগিতাত কাব্যনীলে পূৰ্বৰ ব্যক্তিগত সকলো অভিলেখ ভংগ কৰি বিশ্বৰ ২ নং স্থান অধিকাৰ কৰে। এই সাফল্যৰ বাবে কাব্যনীলে অহা ২০১৫ চনৰ জুলাই মাহত ব্ৰাজিলৰ ছাও পাওল'ত অনুষ্ঠিতব্য বিশ্ব কিউবিং চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰাৰ যোগ্যতা অৰ্জন কৰিছে।

## অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ আৰু অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান



যাদৱ পায়েং

যোৰহাট জিলাৰ এটা বালিচাপৰি একক প্ৰচেষ্টাৰে সেউজ অৰণ্যলৈ পৰিৱৰ্তন কৰি আদৰ্শ হৈ পৰা যাদৱ পায়েঙলৈ আগবঢ়োৱা হৈছে 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' সন্মান। 'ভাৰতৰ অৰণ্য মানৱ' আখ্যা পোৱা যাদৱ পায়েঙক যোৱা ২ নৱেম্বৰ তাৰিখে বিদ্যালয়ৰ 'ফেল'শ্বিপ' প্ৰদান অনুষ্ঠানত এই সন্মান প্ৰদান কৰা হয়। অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসে প্ৰদান কৰা এই ফেল'শ্বিপত আছে এটা স্মাৰক, পিতলৰ জাপি, বিদ্যালয়ৰ প্ৰতীক চিহ্ন সম্বলিত গামোচা আৰু দুবছৰৰ বাবে প্ৰতি মাহে ৫ হাজাৰ টকাৰ অৰ্থ মূল্য। আনহাতে, অসমৰ জাতীয় জীৱনলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱা ৫ গৰাকী বিশিষ্ট ব্যক্তিলৈ 'অসম জাতীয় বিদ্যালয় সন্মান-২০১৪' আগবঢ়োৱা হৈছে। জীৱনশিল্পী, গুৰুজী আখ্যাৰে বিভূষিত ভাস্কৰ্যশিল্পী আৰু কলা নিৰ্দেশক আদ্যনাথ শৰ্মা, ভ্ৰাম্যমান জগতৰ প্ৰখ্যাত অভিনেতা প্ৰিয়কান্ত বৈশ্য আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমৰ নাম উজলাই তোলা ফুটবলাৰ এলেন দেউৰী, দুৰ্গা বড়ো আৰু এথলীট দেবযানী বৰালৈ জাতীয় বিদ্যালয় সন্মান আগবঢ়োৱা হৈছে। এই সন্মানত আছে এখন সম্বৰ্ধনা পত্ৰ, এৰী চাদৰ, অসমীয়া জাতীয় বিদ্যালয়ৰ বিশেষ গামোচা আৰু নগদ ২৫,০০০ হাজাৰ টকা (এককালীন)।



আদ্য শৰ্মা



প্ৰিয় বৈশ্য



দুৰ্গা বড়ো



এলেন দেউৰী

**মানসিক সামৰ্থ্য বিকাশ, দশম সংখ্যাৰ উত্তৰসমূহ :**

| | | | | | |
|---|---|---|---|---|---|
| 1) (d) | 2) (c) | 3) (d) | 4) (c) | 5) (c) | 6) (b) |
| 7) (d) | 8) (a) | 9) (d) | 10) (d) | 11) (b) | 12) (d) |
| 13) (b) | 14) (b) | 15) (b) | 16) (a) | 17) (b) | 18) (d) |
| 19) (a) | | | | | |

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (নৱেম্বৰ)


১। 'ডাছ কেপিটেল' ২। কেশৱ মহন্ত ৩। কাশ্মীৰ (গুলমাৰ্গ) ৪। কীট-পতংগৰ অধ্যয়নৰ লগত

৫। ৰোম

# মেৰিয়ানা খাদ

■ পুষ্পাঞ্জলী দাস

গভীৰ সমুদ্ৰ—এই সমুদ্ৰৰ বুকুতেই লুকাই আছে আমাৰ পৃথিৱীৰ বহুতো ৰহস্য। বহু নাবিকৰ সপোন, ভাগ্যক ধিয়াই কোনো অজান দেশলৈ যাত্ৰা কৰা পথিকৰ আশা, ধুমুহাত দিক্‌ভ্ৰান্ত হৈ পৰা জাহাজ আদি সকলোকে বুকুত সামৰি লৈ সমুদ্ৰ আজিও উত্তাল। কিন্তু কথা হ'ল কিমান গভীৰ এই সমুদ্ৰ? এশ ফুট? দুশ ফুট নে সহস্ৰ ফুট? কিন্তু আমাৰ বিশ্বজগতৰ বহুতো অজান-অচিন ৰহস্যৰ ভিতৰত এটা ৰহস্য হ'ল সমুদ্ৰৰ গভীৰতা। সমুদ্ৰৰ অতল গভীৰতাৰ মাজতো এনে কিছুমান ঠাই আৱিষ্কৃত হৈছে যাক মানুহে এতিয়াও সম্পূৰ্ণৰূপে জানিব পৰা নাই। সমুদ্ৰৰ গভীৰৰো গভীৰ এই ঠাইবোৰক সমুদ্ৰবিজ্ঞানৰ ভাষাত সামুদ্ৰিক খাদ বোলা হয়। সামুদ্ৰিক খাদবোৰ পৃথিৱীৰ ভিতৰতে আটাইতকৈ গভীৰ ঠাই। এতিয়ালৈকে মাত্ৰ ২২টা সামুদ্ৰিক খাদহে আৱিষ্কাৰ হৈছে। ইয়াৰে ১৮টা প্ৰশান্ত মহাসাগৰত, ৩টা আটলাণ্টিক মহাসাগৰত আৰু ১টা ভাৰত মহাসাগৰত অৱস্থিত।




এই খাদসমূহৰ ভিতৰত আটাইতকৈ দ খাদটোৰ নাম হৈছে মেৰিয়ানা খাদ (Mariana Trench)। এই খাদটো প্ৰশান্ত মহাসাগৰত অৱস্থিত। জাপানৰ পূব দিশত থকা মেৰিয়ানা দ্বীপপুঞ্জৰপৰা অকণমান পূবলৈ গ'লেই এই খাদটো পোৱা যায়। ভৌগোলিকভাৱে ইয়াৰ অৱস্থান হৈছে $11^0 21^/$N অক্ষাংশ আৰু $142^0 2^/$E দ্ৰাঘিমাংশ। পৃথিৱীৰ গভীৰতম এই খাদটো সাগৰতলীৰ বিস্তাৰণৰ ফলত গঠিত। এতিয়া কথা হ'ল পৃথিৱীৰ এই অতল দ ঠাইটুকুৰা প্ৰকৃততে কিমান দ? এই সামুদ্ৰিক খাদটো যিখন মহাসাগৰত অৱস্থিত, অৰ্থাৎ প্ৰশান্ত মহাসাগৰৰ গড় গভীৰতা হ'ল ৪,১৮৮ মিটাৰ (১৩,৭৪০ ফুট)। কিন্তু মেৰিয়ানা খাদৰ গভীৰতা আজিকোপতি আৱিষ্কাৰ হোৱা নাই। আপেক্ষিকভাৱে ইয়াৰ গভীৰতা ১১,০৩৩ মিটাৰ (৩০,২০১ ফুট) বুলি ঠাৰৰ কৰা হৈছে। মেৰিয়ানা খাদৰ আটাইতকৈ দ অঞ্চলটো হৈছে চেলেঞ্জাৰ দীপ (Challanger Deep)। চেলেঞ্জাৰ নামটো আকৌ ব্ৰিটিছ অভিযাত্ৰী জাহাজ এইচ.এম. এছ চেলেঞ্জাৰ দ্বিতীয়ৰ পৰা আহিছে। মেৰিয়ানা খাদৰ গভীৰতাৰ এই কথাটোৰপৰা উমান পাব পাৰি যে বিশ্বৰ আটাইতকৈ ওখ শৃংগ মাউণ্ট এভাৰেষ্টক যদি কিবা প্ৰকাৰে মেৰিয়ানা খাদত বহুৱাই দিয়া হয়, তেতিয়াও শৃংগৰ ওপৰত ২,১৮৩ মিটাৰ পানী থাকিব।


মেৰিয়ানাৰ বিষয়ে অধ্যয়ন কৰিবলৈ বহুকেইখন সন্ধানী ছাবমেৰিন সমুদ্ৰবিজ্ঞানীসকলে ব্যৱহাৰ কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য অভিযানকেইটা হৈছে ১৯৬০ চনৰ অভিযান, কাইকো অভিযান, ২০১১ চনৰ অভিযান য'ত কেমেৰা লগোৱা ড্ৰপকেম (Dropcam) নামৰ যন্ত্ৰ ব্যৱহাৰ কৰা হৈছিল। মেৰিয়ানা খাদৰ অতল গভীৰতাত জীয়াই থকা জীৱবোৰৰ ভিতৰত এমিবা, ডাইট'মেচিয়াছ, ফ্লেটফিল, জেনোপাইঅ'ফ'ৰছ আদি উল্লেখনীয়।

আনবোৰ সামুদ্ৰিক খাদৰ নিচিনাকৈ ইয়াকো প্ৰায়ে ছাবমেৰিনৰ পথ হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰি ইয়াক পাৰমাণৱিক আবৰ্জনাৰ অৱক্ষেপণথলী হিচাপে ব্যৱহাৰ কৰিবলৈ আলোচনা কৰা হৈছিল। কিন্তু ইয়াৰ গভীৰতাই আৰু সামুদ্ৰিক চাপে এই তেজস্ক্ৰিয় আৱৰ্জনাক পৃথিৱীৰ কেন্দ্ৰলৈ ঠেলি পঠিয়াব বুলি আশংকা কৰি এই ধাৰণাটো পৰিত্যাগ কৰা হৈছে।

যি কি নহওক, পৃথিৱীৰ এই ভৌগোলিক আশ্চৰ্যই ভৱিষ্যতে ন ন কথাৰ সন্ধান দিব বুলি আশা কৰা হৈছে। ❑

# মগজুৰ সক্ষমতা কেনেকৈ বঢ়াবা?

■ অভিজিত শৰ্মা বৰুৱা



দেখা যায় যে কিছুমান ল'ৰা-ছোৱালী বা ব্যক্তি তীক্ষ্ণ বুদ্ধিসম্পন্ন হয়, আনহাতে আন কিছুমানৰ বুদ্ধি-বৃত্তি কম নহ'লেও সেয়া তীক্ষ্ণ নহয়। কিছুমান লোকতো গোকাট মূৰ্খৰ শাৰীতে পৰে। আচলতে কোনো মানুহৰ মস্তিষ্কৰ সক্ষমতাৰ ওপৰতে মানুহজনৰ বুদ্ধি-বৃত্তি আৰু সেইজন লোক মূৰ্খ-জ্ঞানী হোৱা-নোহোৱা আদি নিৰ্ভৰ কৰে।

কম্পিউটাৰ এটাৰ সক্ষমতা নিৰ্ভৰ কৰে মূলতঃ তাৰ হাৰ্ডৱেৰ-ছফটৱেৰৰ ক্ষমতা আৰু 'প্ৰচেছিং' স্পীডৰ (বা গতি) ওপৰত। কম্পিউটাৰৰ ক্ষেত্ৰত প্ৰচেছিঙৰ অৰ্থ হ'ল—বিশেষ তথ্য কম্পিউটাৰৰ নিৰ্দিষ্ট অংশৰ ভিতৰত সুমুওৱা, সেইবোৰৰ অৰ্থ বা সাৰাংশ উলিওৱা, তথ্যবোৰ বিশ্লেষণ কৰা, বিশ্লেষিত তথ্যক কিছুমান পৰ্যায়ৰ মাজেৰে যাবলৈ দি বাঞ্ছিত ফল লাভ কৰা, সেই ফলক ব্যৱহাৰযোগ্য ৰূপলৈ পৰিবৰ্তন কৰা ইত্যাদি। ছুপাৰ কম্পিউটাৰবোৰৰ এনে ক্ষমতা আৰু স্পীড যথেষ্ট বেছি। মানুহৰ মগজুৰ ক্ষেত্ৰতো একেটা কথাই খাটে। তীক্ষ্ণ বুদ্ধিৰ মানুহ এজনৰ মগজুৰ সক্ষমতা আৰু প্ৰচেছিং স্পীড যথেষ্ট বেছি। জন্মগতভাৱে বা বংশগতভাৱেও মগজুৰ স্বাভাৱিক প্ৰচেছিং ক্ষমতা কম-বেছি হ'ব পাৰে। বিশেষ ক্ৰ'ম'জমত থকা কিছুমান জিনে মানুহৰ মগজুৰ প্ৰচেছিং স্পীড নিয়ন্ত্ৰণ কৰে। কিন্তু এইটো বৰ সৌভাগ্য বা স্বস্তিৰ কথা যে এই ক্ষেত্ৰত নিয়ন্ত্ৰণৰ বাঘজৰীডাল কেৱল জিনৰ হাততে নাই। বিজ্ঞানীসকলে জনাইছে যে চৌপাশৰ পৰিবেশ, ব্যক্তিগত অনুশীলন, একাগ্ৰতা, প্ৰশিক্ষণ, খাদ্য, ইচ্ছাশক্তি আদি কিছুমান বাহ্যিক কাৰকৰ ওপৰতো মগজুৰ প্ৰচেছিং স্পীড নিৰ্ভৰ কৰে। মগজুৰ ভিতৰত অনবৰতে চলি থকা ৰাসায়নিক বিক্ৰিয়াবোৰৰ ওপৰত এনে বাহ্যিক কাৰণবোৰে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। গতিকে আমাৰ মগজুৰ স্বাভাৱিক সক্ষমতা যিমানেই নহওক, আমি কৃচ্ছ্ৰসাধনা কৰি তাক যথেষ্ট বঢ়াব পাৰোঁ বা তেনে নকৰি অলসভাৱে সময় কটাই তাক কমাবও পাৰোঁ।

আমাৰ মগজুৰ কোষসমূহত অসংখ্য নিউৰণ আছে। কিছুমান নিউৰণ কেৱল বাৰ্তাবাহী, আনহাতে কিছুমান নিউৰণে তথ্যৰ প্ৰচেছিঙত সহায় কৰে। মগজুৰ ভিতৰত ক্ষুদ্ৰৰপৰা অতিশয় ক্ষুদ্ৰ পৰিসৰত সংঘটিত কিছুমান বিশেষ ৰাসায়নিক বিক্ৰিয়াৰ সহায়ত এই যাৱতীয় কাম-কাজবোৰ চলে। মগজুত আচলতে 'এনেয়ে' একো নঘটে, তাত কিবা এটা ঘটাৰ অৰ্থ হ'ল ক'ৰবাত কিবা নহয় কিবা এটা ৰাসায়নিক বিক্ৰিয়া ঘটিছে।

মগজুৰ স্বাভাৱিক সক্ষমতা কমোৱাৰ ভিতৰত এক নম্বৰতে আছে মানসিক চাপ। মানসিক চাপৰপৰা যিমানে দূৰত থকা যায়, মগজুৰ ওপৰত তাৰ কুপ্ৰভাৱ সিমানেই কমকৈ পৰে। মানসিক চাপৰ জৈৱ ৰাসায়নিক, শাৰীৰিক আৰু হৰমোনসম্পৰ্কিত প্ৰতিক্ৰিয়া আছে। এজন মানুহ যথেষ্ট মানসিক চাপত থাকিলে তেওঁৰ দেহকোষত থকা গ্লুক'কৰ্টিকইড (Glucocorticoids) নামৰ এক ষ্টেৰইড শ্ৰেণীৰ হৰমোন ৰক্তপ্ৰবাহৰ সৈতে মিহলি হৈ যায়।

মস্তিষ্কৰ কোষবোৰত এইবিধ হৰমোনে এনে কিছুমান ৰাসায়নিক বিক্ৰিয়া সংঘটিত কৰে, যাৰ ফলাফল মগজুৰ বাবে নেতিবাচক। তদুপৰি দেখা গৈছে যে গ্লুক'কৰ্টিকইডৰ এনে ধৰণৰ নিঃসৰণ যদি ক্ৰনিক (মানে সঘনাই হোৱা) বিধৰ হয়, তেন্তে ই আমাৰ মগজুৰ হিপ্পোকেম্পাছ (Hippocampus) নামৰ এক গুৰুত্বপূৰ্ণ অংশ পৰ্যায়ক্ৰমে ধ্বংস কৰি আনিব পাৰে। ইয়াৰ ফলত স্মৃতিশক্তিৰ হ্ৰাস হয় আৰু বয়সস্থ মানুহৰ ক্ষেত্ৰত আলজেইমাৰ্ছ, ডিমেন্সিয়া আদি ৰোগ সৃষ্টিৰ সম্ভাৱনা বাঢ়ে।

আমাৰ প্ৰতিৰক্ষাতন্ত্ৰৰ কাম হ'ল আমাৰ দেহৰ ওপৰত সদাসতৰ্ক দৃষ্টি ৰখা আৰু বীজাণু বা আন সংক্ৰমণৰ বিৰুদ্ধে যুদ্ধ কৰা। দেখা গৈছে যে কোনো লোকৰ প্ৰতিৰক্ষাতন্ত্ৰ যদি তুলনামূলকভাৱে সবল হয়, তেন্তে ই মগজুৰ সক্ষমতা বঢ়ায় আৰু বয়সসম্পৰ্কিত স্মৃতিহ্ৰাস কম কৰে। 'নেচাৰ নিউৰ'ছায়েন্স' পত্ৰিকাত প্ৰকাশ পোৱা এক গৱেষণাপত্ৰৰ মতে প্ৰতিৰক্ষী কোষবোৰৰ এক প্ৰাথমিক কাম হ'ল নতুন মগজু কোষৰ সৃষ্টিত সহায় কৰা আৰু সেইবোৰক কামত খটুওৱা। আগতে যদিও ভবা হৈছিল যে মগজুৰ কোষবোৰ নতুনকৈ সৃষ্টি নহয়, এতিয়া বিজ্ঞানীসকলে প্ৰমাণ পাইছে যে মগজুৰ কোষৰ ন সৃষ্টি সম্ভৱপৰ।

মগজুৰ সক্ষমতা বৃদ্ধিৰ আন এটা উপায় হ'ল— কামৰ মাজত যথেষ্ট জিৰণি লোৱা। কোনো লোকে প্ৰয়োজনীয় সময় শোৱাৰ অৰ্থ হ'ল মগজুটোক আৱশ্যকীয় জিৰণি দিয়া। ছাত্ৰ-ছাত্ৰীসকলে অন্ততঃ আঠ ঘণ্টা ভালদৰে শুবই লাগে। ই তেওঁলোকৰ মগজুৰ সক্ষমতা বঢ়াই তোলে। প্ৰয়োজনীয় সময়তকৈ যদি কম শোৱা যায়, তেন্তে ই মগজুৰ সক্ষমতাৰ ক্ষেত্ৰত যথেষ্ট পাৰ্থক্য আনি দিব পাৰে। অৱশ্যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে অভ্যাসৰ বলত কম সময়ৰ টোপনিৰ লগতো নিজৰ মস্তিষ্কৰ সক্ষমতা খাপ খুৱাই ল'ব পাৰে। সাম্প্ৰতিক এক অধ্যয়নৰ জৰিয়তে দেখা গৈছে যে স্কুল-কলেজৰ ৩০ শতাংশ ল'ৰা-ছোৱালীয়ে প্ৰয়োজনতকৈ কম সময়



শুবলৈ পায়। এই অভ্যাসে তেওঁলোকৰ মগজুৰ সামগ্ৰিক সক্ষমতাত নেতিবাচক প্ৰভাৱ পেলাব পাৰে। জ্ঞান অৰ্জনৰ লগত সম্পৰ্ক নথকা কিছুমান কামত কম সময় খৰচ কৰি সময়ৰ এই নাটনিৰ জোৰা মাৰিব পৰা যায়।

মস্তিষ্কৰ স্মৃতিশক্তি আৰু প্ৰজ্ঞা বঢ়াই তোলাত সহায় কৰিব পৰা এক উপাদান হ'ল—ফাইট'এষ্ট্ৰজিন (Phytoestrogens)। ই হ'ল উদ্ভিদজাত এক খাদ্য উপাদান। যিবোৰ খাদ্যবস্তুত সাধাৰণতে এইবিধ উপাদান পোৱা যায়, সেইবোৰ হ'ল—ঘেঁহু, চাউল, ওট, বাৰ্লি, ৰঙালাও, শণ, তিল, সূৰ্যমুখী, উৰহী, চয়াবীন, মচুৰমাহ, মগুমাহ, বাদাম, পেষ্টা, জলফাই, ডালিম, আপেল, গাজৰ আদি। মগজুৰ সক্ষমতাৰ ক্ষেত্ৰত পানীৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। দেখা গৈছে আমাৰ মগজুৰ ৮০ শতাংশই পানী আৰু সেইবাবে আমি যথেষ্ট পৰিমাণে পানী গ্ৰহণ কৰিলেহে অৰ্থাৎ দেহত যথেষ্ট পৰিমাণে পানী থাকিলেহে মগজুৱে ঠিকমতে কাম কৰিব পাৰে। 'ডিহাইড্ৰেছ্ন'ত ভোগা মানুহৰ মগজুৱে সঠিক কাম কৰিব নোৱাৰে। আনহাতে এক অধ্যয়নৰ যোগেদি প্ৰকাশ পাইছে যে খাদ্য হিচাপে যদি সপ্তাহত এদিনো মাছ খোৱা যায় তেন্তে ই স্মৃতিহ্ৰাস আৰু লগতে আলজেইমাৰ্ছ ৰোগ হোৱাৰ প্ৰৱণতাক কমাব পাৰে।

প্লাষ্টিকৰ বটল বা পেকেটে মগজুৰ ওপৰত নেতিবাচক প্ৰতিক্ৰিয়া পেলাব পাৰে। প্লাষ্টিকৰ বটল বা

পেকেটত থকা খাদ্যবস্তুৰ জৰিয়তে এনে প্ৰভাৱ আহিব পাৰে। এনে কুপ্ৰভাৱ পেলাব পৰা মূল পদাৰ্থটো হ'ল— প্লাষ্টিকত থকা 'বিছফেনল-এ' (Bisphenol-A, চমুকৈ বি পি এ) নামৰ এবিধ ৰাসায়নিক পদাৰ্থ। এই বি পি এই মগজুৰ হিপ্পোকেম্পাছ অংশ ধ্বংসত অৰিহণা যোগাব পাৰে।

শাৰীৰিক ব্যায়ামে আমাৰ মগজুলৈ যোৱা অক্সিজেনৰ পৰিমাণ বঢ়াই তোলে। ব্যায়ামৰ ফলত এনে কিছুমান ৰাসায়নিক পদাৰ্থৰ নিঃসৰণ হয়, যিবোৰে আমাৰ মগজুৰ কোষক সুৰক্ষা দিয়াৰ উপৰি মন-মেজাজ প্ৰফুল্লিত কৰি ৰখাত সহায় কৰে। বিজ্ঞানীসকলে এই কথাও জানিবলৈ দিছে যে শাৰীৰিক ব্যায়ামৰ সময়ত মগজুলৈ সঞ্চালিত নিউৰণৰ সংখ্যা বাঢ়ে। এইবোৰে মিলি মগজুৰ সক্ষমতা বঢ়ায়।

মগজুৰ সফলতাৰ বঢ়া-টুটা সম্পৰ্কত বিজ্ঞানীসকলে আৰু কেইটামান গুৰুত্বপূৰ্ণ কথা জানিবলৈ দিছে—

- বেছি ওজনৰ মানুহৰ (বৰ শকত) মগজুৰ সক্ষমতা কম হয় বুলি বহুতে ভাবিলেও তেনে কোনো সত্যতা নাই।
- একমনে ধ্যান কৰিলে মানসিক চাপ কমে আৰু মগজুৰ সক্ষমতা বাঢ়ে। আনহাতে অন্তৰ খুলি হাঁহিলেও মানসিক চাপ কমে।
- নিচাযুক্ত সামগ্ৰী, এলকহল আদিয়ে মগজুৰ স্বাভাৱিক সক্ষমতা কমাই তোলে।
- কীটনাশক ঔষধ বা কীট প্ৰতিৰোধক দেহৰ ভিতৰত প্ৰৱেশ কৰিলে মগজু কোষৰ ক্ষতি হ'ব পাৰে।

থিয় হৈ থকাতকৈ শায়িত অৱস্থাত মগজু অধিক সক্ৰিয় হৈ থাকে (অৱশ্যে ইয়াৰ প্ৰকৃত কাৰণ বিশ্লেষণ কৰিবলৈ এতিয়াও বাকী)।

নতুন কিবা এটা শিকিবলৈ কৰা চেষ্টাই মগজুৰ উজ্জীৱিত কৰি তোলে আৰু তাৰ সক্ষমতা বঢ়ায়। সেয়া হয়তো এটা নতুন ভাষা শিকা হ'ব পাৰে বা আন নতুন বিষয়বস্তু (আনকি ৰন্ধনো) হ'ব পাৰে।

অৱশ্যে মগজুৰ সক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰত এই আটাইবোৰ হ'ল কিছুমান পৰোক্ষ উপায়হে। মগজুৰ সক্ষমতা বঢ়োৱাৰ প্ৰবল ইচ্ছা নাথাকিলে আৰু লগতে তাৰ বাবে কঠোৰ চেষ্টা, অধ্যৱসায় নকৰিলে কেৱল এনে ধৰণৰ উপায়ে কোনো কাম নিদিয়ে। যন্ত্ৰৰ ক্ষমতাৰ দৰে মানুহৰ মানসিক ক্ষমতা কোনো 'ফৰ্মুলা' বা ধৰা-বন্ধা সূত্ৰৰ ওপৰত নিৰ্ভৰ নকৰে। মানুহ আৰু যন্ত্ৰৰ মাজত প্ৰকৃততে ইয়েই হ'ল আটাইতকৈ তাৎপৰ্যপূৰ্ণ পাৰ্থক্য। মগজুৰ নিউৰণসমূহ আৰু আন উপাদানৰ সুনিপুণ ব্যৱহাৰেৰে মানুহে যি বিৰল উদ্ভাৱনী ক্ষমতা অৰ্জন কৰিছে, তাৰ কোনো তুলনা নাই।

ডেভ ৰেইনবাউম নামৰ এজন বিশিষ্ট পণ্ডিতে এবাৰ কৈছিল—'যদি তুমি প্ৰতিভাৰদ্বাৰা শ্ৰেষ্ঠত্ব অৰ্জন কৰিব নোৱৰা, তেন্তে প্ৰচেষ্টাৰদ্বাৰা বিজয়ী হোৱা।' তেওঁ যেতিয়া এই কথাষাৰ কৈছিল, তেতিয়া মানুহে মগজুৰ বিষয়ে ইমানবোৰ কথা জনা নাছিল। তৎসত্ত্বেও তেওঁ সঠিক কথাই কৈছিল। এয়া বিজ্ঞানসন্মতভাৱেই সম্ভৱ যে স্বাভাৱিক মানসিক সক্ষমতা যিমানেই নহওক, নিষ্ঠাপূৰ্ণ প্ৰচেষ্টাৰে সকলো বাধা অতিক্ৰম কৰি বিজয়ী হ'ব পৰা যায়। বিশ্বৰ বহুকেইজন মহান লোকে এই শ্বাশ্বত সত্যকে প্ৰমাণ কৰি থৈ গৈছে। ❑

## কুইজৰ উত্তৰসমূহ

১। ৱাছিংটন, ডি.চি. ২। (গ) ৰাষ্ট্ৰসংঘ ৩। অচৰফ ঘানি ৪। ঘ) তামিলনাডু ৫। গুলজাৰিলাল নন্দ ৬। ৱেলছ, ইংলেণ্ড ৭। অষ্ট্ৰেলিয়া ৮। ঘ) ৯। ১০ ডিছেম্বৰ ১০। সম্পত্তিৰ অধিকাৰ ১১। ৯টা পৰ্যায়ত অনুষ্ঠিত হৈছে ১২। (৪) ১৩। মোৰাৰজী দেশাই (জনতা পাৰ্টি) ১৪। ব্ৰাজিল ১৫। নেতাজী সুভাষ চন্দ্ৰ বসু ১৬। ১৭৮৯ চনত ১৭। গ) ১৮। জাতীয় সংসদ ১৯। ঘ) ফ্ৰান্স আৰু ইংলেণ্ড ২০। মহম্মদ ছাৰ ছাদুল্লা

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ২১

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 1 | | 7 | | 3 | | | 9 |
| 7 | | | | | 6 | | 2 | 8 |
| | 4 | 3 | | | 9 | 1 | | |
| 2 | 3 | 7 | | 4 | | | | |
| | | 5 | 1 | | 8 | 4 | | |
| | | | | 7 | | 5 | 6 | 3 |
| | | 6 | 8 | | | 2 | 1 | |
| 4 | 9 | | 5 | | | | | 6 |
| 5 | | | 3 | | 7 | | 8 | |

## চুড'কু ২২

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | | | | | 2 | 3 | | 6 |
| | | 3 | | 8 | 9 | | | 1 |
| 6 | | 4 | 1 | | | 9 | | |
| 3 | | | 8 | | | 5 | 7 | |
| | 9 | | 2 | | 7 | | 3 | |
| | 2 | 7 | | | 1 | | | 4 |
| | | 8 | | | 3 | 2 | | 5 |
| 9 | | | 7 | 4 | | 8 | | |
| 1 | | 6 | 5 | | | | | 9 |

## চুড'কুৰ আৰম্ভণি কেনেকৈ হৈছিল?

চুড'কু এটা জাপানী নাম। জাপানী ভাষাত ইয়াৰ সম্পূৰ্ণ নাম SUUJI WA DOKUSHIN NI KAGIRU। ইয়াৰ অৰ্থ অবিবাহিতৰ খেলা। ১৯৮৪ চনত জাপানৰ 'নিকোলিষ্ট' (Nikolist) নামৰ আলোচনীখনত এই খেলবিধ নিয়মিত ৰূপত প্ৰকাশ হৈছিল। বুদ্ধিৰ খেলাৰূপে পৰিগণিত এই খেলবিধৰ ইতিহাস বহু পুৰণি। ১১৯ বছৰ পূৰ্বে লা ফ্লান্স নামৰ এখন পত্ৰিকাত এই খেলৰ দৰে এটা খেলা প্ৰকাশ পাইছিল। ইয়াৰ পৰৱৰ্তী সময়ত আমেৰিকাৰ হাৱাৰ্ড গানছ নামৰ এজন ব্যক্তিয়ে এই খেলবিধক নতুন ধৰণে উপস্থাপন কৰে। খেলবিধৰ নাম ৰখা হৈছিল NUMBER PLACE; অৰ্থাৎ সংখ্যা বহুওৱাঁ। ১৯৭৯ চনত 'ডেল' নামৰ আলোচনীত NUMBER PLACE প্ৰকাশ পায়। হাৱাৰ্ড গানছৰ এই সংখ্যাৰ খেলকে দৰাচলতে চুড'কু (SUDOKU)ৰ মূল উৎস বুলি ঠাৱৰ কৰা হৈছে।

## চুড'কুৰ ২০ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 2 | 6 | 3 | 1 | 8 | 7 | 9 | 4 | 5 |
| 1 | 5 | 4 | 2 | 9 | 6 | 7 | 3 | 8 |
| 9 | 7 | 8 | 3 | 5 | 4 | 2 | 6 | 1 |
| 3 | 8 | 1 | 5 | 2 | 9 | 4 | 7 | 6 |
| 6 | 9 | 7 | 8 | 4 | 3 | 1 | 5 | 2 |
| 5 | 4 | 2 | 7 | 6 | 1 | 8 | 9 | 3 |
| 7 | 2 | 5 | 4 | 3 | 8 | 6 | 1 | 9 |
| 4 | 3 | 9 | 6 | 1 | 2 | 5 | 8 | 7 |
| 8 | 1 | 6 | 9 | 7 | 5 | 3 | 2 | 4 |

**শুদ্ধ উত্তৰ দিওঁতা :** অসম জাতীয় বিদ্যালয়ৰ (নুনমাটি, গুৱাহাটী) মহানীষ বৰুৱা (৭ম), ভৃগু কুমাৰ ডেকা (৯ম), ৰূপাঞ্জলি কলিতা (৯ম), মৃন্ময় কলিতা (৮ম), কুনাল ডেকা (৬ষ্ঠ), জুৰি কলিতা (৮ম), ধীৰুস্মিতা বৰ্মন (৮ম)।

# মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

**নিৰ্দেশনা :**

(প্ৰশ্ন 1 ৰপৰা 3লৈ)

P + Q মানে P, Qৰ জীয়ৰী। P – Q মানে P, Qৰ পতি। P × Q মানে P, Qৰ ভাই। এতিয়া তলৰ প্ৰশ্নসমূহৰ উত্তৰ উলিওৱাঁ।

1. যদি P + Q – R, তেন্তে তলৰ কোনটো সত্য?

a) R, Pৰ মাক  b) R, Pৰ বোৱাৰী  c) R, Pৰ খুৰী

d) R, Pৰ শাহু  e) ওপৰৰ এটাও নহয়।

2. যদি P × Q + R, তেন্তে তলৰ কোনটো সত্য?

a) P, Rৰ ভাই  b) P, Rৰ খুৰা  c) P, Rৰ পুত্ৰ

d) P, Rৰ পিতা  e) ওপৰৰ এটাও নহয়।

3. যদি P + Q × R, তেন্তে তলৰ কোনটো সত্য?

a) P, Rৰ ভতিজী  b) P, Rৰ জীয়ৰী  c) P, Rৰ সম্পৰ্কীয় ভাই

d) P, Rৰ বোৱাৰী  e) ওপৰৰ এটাও নহয়।

**নিৰ্দেশনা :**

(প্ৰশ্ন 4 ৰপৰা 8লৈ) : তলৰ কথাখিনি পঢ়ি লৈ উত্তৰ কৰাঁ।

বিকাশ, আকাশ, প্ৰকাশ আৰু নিকাশ একেখন স্কুলৰ ছাত্ৰ। এওঁলোকৰ তিনিজন স্কুলৰপৰা দূৰত আৰু এজন ওচৰত থাকে। দুজন চতুৰ্থ শ্ৰেণীত, এজন পঞ্চম শ্ৰেণীত আৰু এজন ষষ্ঠ শ্ৰেণীত পঢ়ে। তেওঁলোকে হিন্দী, গণিত, সমাজ বিজ্ঞান আৰু বিজ্ঞান এইকেইটা বিষয় পঢ়ে। এজনে আটাইকেইটা বিষয়তে উত্তীৰ্ণ হৈছে আৰু এজনে আটাইকেইটা বিষয়তে অনুত্তীৰ্ণ হৈছে। বিকাশ স্কুলৰপৰা দূৰত থাকে আৰু গণিতত উত্তীৰ্ণ হৈছে। আকাশে কেৱল গণিতত অনুত্তীৰ্ণ হৈছে আৰু তেওঁ স্কুলৰ ওচৰতে থাকে। বিকাশ, আকাশ বা প্ৰকাশ কোনোৱে ষষ্ঠ শ্ৰেণীত নপঢ়ে। যিজনে আটাইকেইটা বিষয়তে উত্তীৰ্ণ হৈছে তেওঁ পঞ্চম শ্ৰেণীত পঢ়ে।

4. কোনজন সকলো বিষয়তে উত্তীৰ্ণ হৈছে?

a) বিকাশ  b) আকাশ  c) প্ৰকাশ  d) নিকাশ

5. কোনজন আটাইকেইটা বিষয়তে অনুত্তীৰ্ণ হৈছে?

a) বিকাশ b) আকাশ c) প্ৰকাশ d) নিকাশ

6. কোন দুজন ল'ৰা হিন্দীত উত্তীৰ্ণ হৈছে?

a) বিকাশ আৰু আকাশ b) আকাশ আৰু প্ৰকাশ

c) প্ৰকাশ আৰু নিকাশ d) নিকাশ আৰু বিকাশ

7. কোন দুজন ল'ৰা গণিতত উত্তীৰ্ণ হৈছে?

a) বিকাশ আৰু আকাশ b) আকাশ আৰু প্ৰকাশ

c) প্ৰকাশ আৰু নিকাশ d) প্ৰকাশ আৰু বিকাশ

8. বিকাশ আৰু যিজন ল'ৰা সকলো বিষয়তে উত্তীৰ্ণ হৈছে তাৰ বাদে কোনজন ল'ৰা স্কুলৰপৰা দূৰত থাকে?

a) আকাশ b) প্ৰকাশ c) নিকাশ d) এওঁলোকৰ এজনো নহয়।

**উত্তৰসমূহ :**

1) (a) 2) (c) 3) (a) 4) (c) 5) (d) 6) (b)
7) (d) 8) (c)

## তোমালোকৰ বাবে প্ৰশ্ন

১। ভাৰতবৰ্ষত ম'ন'ৰে'ল (Monorail) সেৱা পোনপ্ৰথমবাৰৰ বাবে কোন ঠাইত আৰম্ভ কৰা হৈছে?

২। ছিমলিপাল্ (Simlipal) ৰাষ্ট্ৰীয় উদ্যান তলৰ কোনখন ৰাজ্যত অৱস্থিত?
ক) পশ্চিমবংগ খ) ঝাৰখণ্ড গ) বিহাৰ ঘ) উৰিষ্যা

৩। তলৰ কোনখন মহাদেশত প্ৰথম অ'জ'ন গহ্বৰ (Ozone Hole) ধৰা পৰিছিল?
ক) এণ্টাৰ্কটিকা খ) এছিয়া গ) ইউৰোপ ঘ) আফ্ৰিকা

৪। মহাত্মা গান্ধীৰ নাতিনীয়েক ইলা গান্ধীক 'আমাদেলাকুফা' (Amadelakupha) নামৰ এক অতি সন্মানীয় পুৰস্কাৰ প্ৰদান কৰা হৈছে। এই পুৰস্কাৰ কোন দেশে প্ৰদান কৰে?

৫। অসমৰ চাহ খেতিৰ বিষয়ে লিখা বিখ্যাত কিতাপ 'Cha Garam'ৰ লেখক কোন?

*(উত্তৰবোৰ তোমালোকে নিজে বিচাৰি ১৫ ডিছেম্বৰ তাৰিখৰ আগেয়ে পোৱাকৈ সম্পাদক, **'অন্বেষণ'** এই ঠিকনালৈ পঠিয়াবা। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব।)*

# কুইজ

■ **অপ্সৰা বৰুৱা**

১। বিশ্ববেংকৰ (World Bank) মুখ্য কাৰ্যালয় কোন চহৰত অৱস্থিত?

২। কফি আন্নান তলৰ কোনটো আন্তৰ্জাতিক সংস্থাৰ সচিব আছিল?
ক) খাদ্য আৰু কৃষি সংস্থা (FAO)
খ) বিশ্ব বেংক (World Bank)
গ) ৰাষ্ট্ৰসংঘ (United Nations)
ঘ) বিশ্ব স্বাস্থ্য সংস্থা (WHO)

৩। আফগানিস্তানৰ বৰ্তমানৰ ৰাষ্ট্ৰপতিগৰাকীৰ নাম কি?

৪। কেন্দ্ৰীয়শাসিত ৰাজ্য পুডুছেৰিৰ তলৰ কোনখন ৰাজ্যৰ লগত সীমাৰেখা একেই?
ক) অন্ধ্ৰপ্ৰদেশ খ) কেৰালা
গ) কৰ্ণাটক ঘ) তামিলনাডু

৫। ভাৰতবৰ্ষৰ প্ৰথম প্ৰধানমন্ত্ৰীজন আছিল জৱাহৰলাল নেহৰু। দ্বিতীয়জন কোন?

৬। ২০১৪ বৰ্ষৰ NATO Summit কোন ঠাইত অনুষ্ঠিত হৈছিল?

৭। ভাৰতীয় সংবিধানৰ অন্তৰ্গত উমৈহতীয়াসূচীৰ (যিবোৰ বিষয়ত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে আইন প্ৰণয়ন কৰিব পাৰে) ধাৰণা কোন দেশৰ সংবিধানৰ পৰা লোৱা হৈছে?

৮। গ্ৰুপ অৱ এইট বা G-8ৰ সদস্য ৰাষ্ট্ৰসমূহ হ'ল
ক) ভাৰতবৰ্ষ, ইটালী, ফ্ৰান্স, জাপান, জাৰ্মানী, গ্ৰেট ব্ৰিটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ
খ) কানাডা, ফ্ৰান্স, চীন, জাৰ্মানী, ইটালী, গ্ৰেট ব্ৰিটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ
গ) কানাডা, ফ্ৰান্স, জাপান, অষ্ট্ৰেলিয়া, ইটালী, গ্ৰেট ব্ৰিটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ
ঘ) কানাডা, ফ্ৰান্স, জাপান, জাৰ্মানী, ইটালী, গ্ৰেট ব্ৰিটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ

৯। মানৰ অধিকাৰ দিৱস কোন তাৰিখে পালন কৰা হয়?

১০। তলৰ কোনটো মৌলিক অধিকাৰ নহয়?
ক) সম্পত্তিৰ অধিকাৰ (Right to Property)
খ) সমতাৰ অধিকাৰ (Right to Equality)
গ) স্বাধীনতাৰ অধিকাৰ (Right to Freedom)
ঘ) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (Right to Constitutional Remedies)

১১। আমাৰ দেশত ২০১৪ বৰ্ষৰ লোকসভা নিৰ্বাচন মুঠ কেইটা পৰ্যায়ত অনুষ্ঠিত হৈছিল?

১২। ভাৰতবৰ্ষৰ নিম্নলিখিত ৰাজ্যসমূহ প্ৰতিষ্ঠাৰ বছৰ অনুযায়ী ক্ৰমান্বয়ে সজোৱা
ক) পঞ্জাৱ খ) অন্ধ্ৰপ্ৰদেশ গ) মিজোৰাম
ঘ) মেঘালয়
১। ক, খ,ঘ, গ ২। ঘ, গ, খ, ক
৩। খ, ক, গ, ঘ ৪। খ, ক, ঘ, গ

১৩। ভাৰতবৰ্ষৰ প্ৰথমজন অকংগ্ৰেছী (Non-Congress) প্ৰধানমন্ত্ৰীৰ নাম কি?

১৪। ২০১৪ বৰ্ষৰ BRICS Summit কোন দেশত অনুষ্ঠিত হৈছিল?

১৫। মহাত্মা গান্ধীক 'জাতিৰ পিতা' আখ্যা দিয়া ব্যক্তিজন কোন?

১৬। ফৰাচী বিপ্লৱ কোন চনত আৰম্ভ হৈছিল?

১৭। ফ্ল'ৰেন্স নাইটিংগেল তলৰ কোনখন যুদ্ধৰ লগত জড়িত?
ক) প্ৰথম বিশ্বযুদ্ধ খ) দ্বিতীয় বিশ্বযুদ্ধ
গ) ক্ৰিমিয়াৰ যুদ্ধ ঘ) লেপযিগ যুদ্ধ


১৮। বাংলাদেশৰ সংসদখনৰ নাম কি?

১৯। তলৰ কোন দুখন দেশৰ মাজত ১০০ বছৰীয়া যুদ্ধ হৈছিল?
ক) ভাৰত-পাকিস্তান খ) ইংলেণ্ড-জাৰ্মানী
গ) জাৰ্মানী-ফ্ৰান্স ঘ) ইংলেণ্ড-ফ্ৰান্স

২০। ভাৰতীয় সংবিধান প্ৰণয়নৰ লগত প্ৰত্যক্ষভাৱে জড়িত অসমীয়া ব্যক্তিগৰাকী কোন? ❑

■ কিৰণময়ী কলিতা

**(৪) উমাশংকৰ যোশী :** গুজৰাটী ভাষাৰ সাহিত্যিক উমাশংকৰ যোশীৰ সম্পূৰ্ণ নাম উমাশংকৰ জেঠালাল যোশী। গুজৰাটৰ সবৰকান্ত জিলাৰ বাম্না নামে ঠাইত ১৯১১ চনৰ ২১ জুলাই তাৰিখে জন্মগ্ৰহণ কৰা যোশী আছিল এজন উচ্চখাপৰ কবি। গুজৰাটী সাহিত্যৰ প্ৰতি আগবঢ়োৱা বৰঙণিৰ বাবে তেওঁ ১৯৬৭ চনত জ্ঞানপীঠ বঁটাৰে সন্মানিত হৈছিল।




যোশী ১৯৬৮ চনত গুজৰাটী সাহিত্য পৰিষদৰ আৰু ১৯৭৮ ৰপৰা ১৯৮২ চনলৈ সাহিত্য অকাডেমিৰ সভাপতি আছিল। তেওঁ ১৯৭০ চনত গুজৰাট বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু ৰাজ্যসভাৰ সদস্য হিচাপেও নিৰ্বাচিত হৈছিল।

**যোশীৰ উল্লেখযোগ্য সাহিত্য কৰ্মৰাজি :** নিশিথ, গংগোত্ৰী, বিশ্বশান্তি, মহাপ্ৰস্থান, অভিগ্ন, সংস্কৃতি, হাভেলি, শ্ৰাৱণী মেলো আদি যোশীৰ অন্যতম কবিতাপুথি।

'নিশিথ' নামৰ কবিতাপুথিখনৰ বাবে যোশীয়ে জ্ঞানপীঠ বঁটা লাভ কৰিছিল। ইয়াৰ উপৰি তেওঁ ১৯৩৯ চনত ৰঞ্জিতৰাম সুৱৰ্ণ চন্দ্ৰাক বঁটা, ১৯৪৭ চনত নৰ্মাদ সুৱৰ্ণ চন্দ্ৰাক বঁটা, ১৯৭৩ চনত ছোভিয়েট লেণ্ড নেহেৰু বঁটা আৰু দিল্লী সাহিত্য অকাডেমি বঁটাৰে সন্মানিত হৈছিল।

গুজৰাটী সাহিত্যৰ এই প্ৰখ্যাত সাহিত্যিকগৰাকীৰ ৭৭ বছৰ বয়সত ১৯৮৮ চনত ১৯ ডিছেম্বৰ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। ❑

**(৫) সুমিত্ৰানন্দন পন্ত :** হিন্দী সাহিত্যৰ প্ৰথম জ্ঞানপীঠ বঁটা বিজয়ী সুমিত্ৰানন্দন পন্তৰ জন্ম হৈছিল ১৯১৯ চনত হিমালয়ৰ কৌষানীত। তেওঁৰ দেউতাকৰ নাম গংগাদত্ত আৰু মাকৰ নাম সৰস্বতী দেৱী। তেওঁৰ জন্মৰ সময়তেই মাকৰ মৃত্যু হোৱা কাৰণে পেহীয়েকে তেওঁক লালন-পালন কৰিছিল। প্ৰাথমিক শিক্ষা সমাপ্ত কৰি এঘাৰ বছৰ বয়সত তেওঁ ইংৰাজী পঢ়িবলৈ অল্মোড়াৰ গৱৰ্ণমেণ্ট হাইস্কুলত ভৰ্তি হৈছিল। তাৰ পৰা সুখ্যাতিৰে মেট্ৰিক পাছ কৰি প্ৰয়াগৰ ম্যোৰ চেণ্ট্ৰেল কলেজত নামভৰ্তি কৰিছিল। সেই সময়ৰ স্বাধীনতা আন্দোলনৰ বাবে কলেজ ত্যাগ কৰিবলৈ তেওঁ বাধ্য হৈছিল।



সৌন্দৰ্য তেওঁৰ কবিতাৰ কেন্দ্ৰবিন্দু। প্ৰাকৃতিক, মানবীয়, আন্তৰিক আৰু বাহ্যিক সৌন্দৰ্য চেতনাই তেওঁৰ গ্ৰন্থসমূহক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। 'চিদাম্বৰা' কাব্যসংকলনৰ বাবে তেওঁ জ্ঞানপীঠ বঁটাৰে সন্মানিত হৈছিল।

**তেওঁৰ উল্লেখযোগ্য সাহিত্যৰাজি : কাব্য সংগ্ৰহ :** বীণা, গ্ৰন্থি, পল্লৱ, যুগবাণী, গ্ৰাম্যা, শংখধ্বনি, লোকায়তন, সমাধিতা আদি। **কাব্য সংকলন :** পল্লৱিনী, চিদাম্বৰা, আধুনিক কবি, তাৰাপথ আদি। **গদ্য কৃতি :** হাৰ (উপন্যাস), পাঁচ কাহানিয়াঁ, শিল্প আৰু দৰ্শন। **কাব্য ৰূপক :** ৰজত শিখৰ, শিল্পী, উত্তৰদায়ী আদি। **কাব্যাত্মক জীৱন চৰিত্ৰ :** মেঁ ঔৰ মেৰা জীৱন।

হিন্দী সাহিত্যৰ সৌন্দৰ্যপ্ৰেমী এই মহান কবিগৰাকীৰ মৃত্যু হয় ১৯৭৭ চনৰ ২৮ ডিছেম্বৰত। ❑

# ভাৰতীয় অৰ্থ ব্যৱস্থাত ৰাজসাহায্য

■ মানসী বৰুৱা

ৰাজসাহায্যৰ ইংৰাজী প্ৰতিশব্দ হৈছে ‘Subsidy’। এই ‘Subsidy’ শব্দটো মূল লেটিন শব্দ ‘Subsidium’ৰপৰা গ্ৰহণ কৰা হৈছে, যাৰ আভিধানিক অৰ্থ হৈছে—‘নেপথ্যত থাকি সহায় আগবঢ়োৱা।’ গতিকে সাধাৰণভাৱে আমি ক’ব পাৰোঁ যে, জনসাধাৰণৰ কল্যাণৰ স্বাৰ্থত চৰকাৰে ৰাজসাহায্য প্ৰদানৰ বাবে আগবাঢ়ি আহে। ৰাজসাহায্য হৈছে এক বিশেষ অনুদান যিয়ে উন্নয়নশীল দেশৰ অৰ্থনৈতিক উন্নয়নক ত্বৰান্বিত কৰাত এক বিশেষ ভূমিকা পালন কৰে। আনহাতে, অৰ্থনীতিত ৰাজসাহায্য হৈছে এনে এক বিত্তীয় ব্যৱস্থা যিয়ে উৎপাদন আৰু উপভোগৰ মাত্ৰা বৃদ্ধি কৰি সচৰাচৰ চাহিদা-যোগান সম্পৰ্কক প্ৰভাৱান্বিত কৰে।

ভাৰত চৰকাৰে স্বাধীনতাৰ পিছৰপৰাই বিভিন্ন ক্ষেত্ৰত (বিভিন্ন উদ্যোগ, উৎপন্ন দ্ৰব্য, বিভিন্ন সেৱা কাৰ্য আদি।) ৰাজসাহায্য প্ৰদান কৰি আহিছে। ভাৰতবৰ্ষত প্ৰধানকৈ দুই ধৰণৰ ৰাজসাহায্য প্ৰদান কৰা হয়—আৰ্থিক ৰাজসাহায্য আৰু সামাজিক ৰাজসাহায্য।

দেখা যায়, ভাৰত চৰকাৰে সামাজিক ৰাজসাহায্যৰ তুলনাত আৰ্থিক ৰাজসাহায্যত অধিক ধন ব্যয় কৰে। ভাৰতবৰ্ষৰ চৰকাৰে শিক্ষা, স্বাস্থ্য আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত তুলনামূলকভাৱে কম সাহায্য প্ৰদান কৰি আহিছে। ইউনেস্ক’ৰ তথ্য অনুসৰি, ভাৰতবৰ্ষৰ প্ৰতিজন শিক্ষাৰ্থীৰ শিক্ষাৰ বাবদ প্ৰদান কৰা ৰাজসাহায্যৰ পৰিমাণ বিশ্বৰ ভিতৰতে নিম্নতম।

ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ ক্ষেত্ৰতো ৰাজসাহায্য বিতৰণত বৈষম্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ২০% পাঞ্জাৱ, হাৰিয়ানা, মহাৰাষ্ট্ৰ আৰু গুজৰাটত বাস কৰে। এইকেইখন ৰাজ্যই লাভ কৰা ৰাজসাহায্যৰ পৰিমাণ ২৬%। আনহাতে, ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৮০% উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, বিহাৰ আৰু উৰিষ্যাত বাস কৰে আৰু এইকেইখন ৰাজ্যক চৰকাৰে মাত্ৰ ৩১% ৰাজসাহায্য প্ৰদান কৰে। বিহাৰৰ ৩৩%তকৈ অধিক জনসংখ্যা দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে যদিও বিহাৰে ৪০%তকৈ কম সাহায্য লাভ কৰে। আনহাতে, পাঞ্জাৱত দৰিদ্ৰতাৰ হাৰ ৫৪%তকৈ কম হোৱা সত্ত্বেও পাঞ্জাৱে ৪০%তকৈ অধিক ৰাজসাহায্য লাভ কৰে। পাঞ্জাৱ, হাৰিয়ানা, মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ গাঁৱত বাস কৰা ১৮% লোকে ২৫% ৰাজসাহায্য লাভ কৰাৰ বিপৰীতে উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, বিহাৰ আৰু উৰিষ্যাৰ গাঁৱত বাস কৰা ৪৪% লোকে মাত্ৰ ২৯% ৰাজসাহায্য লাভ কৰে।

**আৰ্থিক ৰাজসাহায্য (শেহতীয়া তথ্য অনুসৰি)**

- কৃষি আৰু আনুষঙ্গিক ক্ষেত্ৰ (১৬.৪%)
- জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণ (১০.৮%)
- বিদ্যুৎ আৰু শক্তিখণ্ড (৭.৬%)
- উদ্যোগ খণ্ড (১১.৫%)
- পৰিবহন বিভাগ (৭.৩%)
- যোগাযোগ আৰু অন্যান্য (২.৪%)

**সামাজিক ৰাজসাহায্য (শেহতীয়া তথ্য অনুসৰি)**

- শিক্ষা (২২%)
- স্বাস্থ্য (৯%)
- পানী যোগান আৰু অনাময় ব্যৱস্থা (৫%)
- গ্ৰাম্য গৃহ নিৰ্মাণ আৰু অন্যান্য (৮%)

**ভাৰতবৰ্ষত ৰাজসাহায্য ব্যৱস্থাৰ দুৰ্বলতাসমূহ**

ভাৰতবৰ্ষত ৰাজসাহায্য প্ৰদানৰ সামগ্ৰিক প্ৰক্ৰিয়াটোৰ কিছু দুৰ্বলতা আছে। তাৰে কেৱল দুই-এটা দিশহে ইয়াত উল্লেখ কৰা হ'ল।

(১) যেতিয়া চৰকাৰে কিছুমান উৎপন্ন সামগ্ৰীত ৰাজসাহায্য প্ৰদান কৰে, তেতিয়া জনসাধাৰণে বজাৰ মূল্যতকৈ কম মূল্যত উৎপন্ন দ্ৰব্য লাভ কৰে। ফলত সেই বিশেষ দ্ৰব্য বা সামগ্ৰীৰ উপভোগৰ মাত্ৰা বাঢ়ে। সেই বিশেষ সামগ্ৰীবিধৰ বৰ্ধিত চাহিদা উৎপাদনকাৰীয়ে সীমিত উৎপাদনেৰে পূৰণ কৰিব নোৱাৰে। ফলস্বৰূপে প্ৰথম অৱস্থাত ৰাজসাহায্য উপভোক্তাক সুবিধা প্ৰদান কৰিলেও পিছলৈ অতিৰিক্ত উপভোগৰ বাবে উৎপন্ন দ্ৰব্যৰ অভাৱে দেখা দিয়ে।

(২) খাদ্যদ্ৰব্য, ইন্ধন, ৰাসায়নিক সাৰ—এইকেইবিধ সামগ্ৰীৰ ক্ষেত্ৰত ভাৰত চৰকাৰে প্ৰদান কৰি অহা ৰাজসাহায্যৰ বাবে এই প্ৰয়োজনীয় সামগ্ৰীকেইবিধ সকলোৰে বাবে সুলভ হৈ পৰিছে। অৱশ্যে ইয়াৰ ফলত ইয়াৰ লগত জড়িত উৎপাদনকাৰীসকল বিগত সময়ছোৱাত অধিক লোকচানৰ মুখামুখি হ'বলগা হৈছে। ফলস্বৰূপে চৰকাৰে এওঁলোকক উৎপাদন ক্ষেত্ৰত অধিক বিনিয়োগ আৰু ইয়াৰ আধুনিকীকৰণৰ দিশত উৎসাহিত কৰিবপৰা নাই।

(৩) মেধা, আয়ৰ পৰিমাণ, সামাজিক গোট আদি কিছুমান নিৰ্বাচিত মাপকাঠিৰ ভিত্তিত জনসাধাৰণৰ মাজত চৰকাৰে ৰাজসাহায্য প্ৰদানৰ ব্যৱস্থা হাতত লয়। কিন্তু বহু সময়ত সঠিকভাৱে লক্ষ্য নিৰ্ধাৰিত নহ'লে আৰু নিৰ্বাচিত মাপকাঠিৰ প্ৰক্ৰিয়াটো ত্ৰুটিপূৰ্ণ হ'লে দুই ধৰণৰ বিসংগতিয়ে দেখা দিয়ে। এক ৰাজসাহায্য পাবলগীয়া বহু লোকো ইয়াৰপৰা বঞ্চিত হয়, দ্বিতীয়তে ৰাজসাহায্য নাপাবলগীয়া লোকো এই ব্যৱস্থাৰ অন্তৰ্ভুক্ত হয়।

(৪) চৰকাৰে জনসাধাৰণৰ ওপৰত কৰ আৰোপ কৰি পোৱা টকাৰেহে কোনো উদ্যোগ, ব্যৱসায়ী অথবা জনসাধাৰণক ৰাজসাহায্য প্ৰদান কৰিব পাৰে। অৰ্থাৎ জনসাধাৰণৰ ওপৰত আৰোপ কৰা কৰৰ বোজাৰ পৰাহে চৰকাৰে ৰাজসাহায্যৰ টকা সংগ্ৰহ কৰে। মুঠৰ ওপৰত জনসাধাৰণে অধিক কৰ পৰিশোধ কৰি চৰকাৰী ৰাজসাহায্য প্ৰদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে।

ৰাজসাহায্যৰ লগত জড়িত এই দুৰ্বলতাসমূহ দূৰ কৰিবলৈ ভাৰত চৰকাৰে উপযুক্ত ব্যৱস্থা তথা আঁচনি গ্ৰহণ কৰাটো অতি জৰুৰী হৈ পৰিছে। উদাহৰণস্বৰূপে, ভাৰতৰ অৰ্থনীতি প্ৰধানকৈ কৃষিৰ ওপৰ নিৰ্ভৰশীল। গতিকে ভাৰতৰ দৰে এখন উন্নয়নশীল ৰাষ্ট্ৰই কৃষিৰ জৰিয়তে উৎপাদিত সামগ্ৰীত ৰাজসাহায্য প্ৰদান কৰাৰ বিপৰীতে প্ৰাথমিক উৎপাদন ক্ষেত্ৰ হিচাপে কৃষিখণ্ডত অধিক ব্যয় কৰি অধিক উৎপাদনৰ ব্যৱস্থা কৰা উচিত। সীমিত উৎপাদন ব্যয়ৰ জৰিয়তে অধিক উৎপাদন হ'লে স্বাভাৱিকতে উৎপাদিত সামগ্ৰীৰ বজাৰ মূল্য নিয়ন্ত্ৰিত হ'ব। ইয়াৰ ফলত উৎপাদনকাৰী আৰু উপভোক্তা দুয়োপক্ষই লাভান্বিত হ'ব। এই ব্যৱস্থাই অৰ্থনৈতিক উন্নয়নতো অৰিহণা যোগাব বুলি ভবাৰ স্থল নিশ্চয় আছে।

মুঠতে ভাৰতৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰ এখনত ৰাজসাহায্য প্ৰদানৰ প্ৰক্ৰিয়াটো দৰাচলতে সাৰ্থক হ'ব তেতিয়াহে যদি ই অধিক স্পষ্ট হয় আৰু ইয়াক উচিত ক্ষেত্ৰত সঠিকভাৱে প্ৰয়োগ কৰা হয়। ❑

**ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ নৱনিযুক্ত মন্ত্ৰীসকল**

**কেবিনেট**

- মনোহৰ পাৰিকাৰ (প্ৰতিৰক্ষা)
- সুৰেশ প্ৰভু (ৰে'ল)
- জগত প্ৰকাশ নাদ্দা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ)
- বীৰেন্দ্ৰ সিং (গ্ৰামোন্নয়ন, পঞ্চায়তীৰাজ, খোৱাপানী, অনাময়)

**স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী**

- ৰাজীৱ প্ৰতাপ ৰুডী (দক্ষতা বিকাশ, উদ্যমিতা আৰু সংসদীয় পৰিক্ৰমা)
- ড° মহেশ শৰ্মা (সংস্কৃতি)
- বান্দাৰু দত্তাত্ৰেয় (শ্ৰম আৰু নিয়োগ)

# বিদেশী ৰাষ্ট্ৰসমূহৰ লগত ভাৰতে সম্পাদন কৰা কেইখনমান শান্তি চুক্তি


■ ৰুনিমা শৰ্মা

আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল বিভিন্ন সময়ত দেশসমূহৰ মাজত সম্পাদন হোৱা চুক্তিসমূহ। বৰ্তমান বিশ্বায়নে দেশসমূহৰ মাজত এক গভীৰ সম্পৰ্ক স্থাপন কৰিছে আৰু এই সম্পৰ্কক এক দৃঢ়ৰূপ প্ৰদান কৰিছে বিভিন্ন চুক্তিসমূহে। ভাৰতবৰ্ষই বিভিন্ন দেশৰ লগত সু-সম্পৰ্ক প্ৰতিষ্ঠাৰ অৰ্থে কেইখনমান শান্তি চুক্তিত স্বাক্ষৰ কৰিছে। এইসমূহ তলত উল্লেখ কৰা হ'ল—

**টাছকেণ্ট চুক্তি** (Tashkent agreement) : ১৯৬৬ চনৰ ১০ জানুৱাৰি তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী লাল



বাহাদুৰ শাস্ত্ৰী আৰু পাকিস্তানৰ ৰাষ্ট্ৰপতি আয়ুব খানৰ মাজত এই চুক্তিখন সম্পাদিত হৈছিল। ১৯৪৭ চনত বিভক্ত ভাৰত আৰু পাকিস্তানৰ মাজত এক সু-সম্পৰ্ক প্ৰতিষ্ঠাৰ উদ্দেশ্যে ভূতপূৰ্ব দুয়োগৰাকী শাসকে এই চুক্তিখনত স্বাক্ষৰ প্ৰদান কৰিছিল। বিশেষকৈ ১৯৬৫ চনৰ ভাৰত-পাক যুদ্ধই দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটাইছিল। এই চুক্তিৰ প্ৰধান উদ্দেশ্যই আছিল এই যে চুক্তিখনৰ জৰিয়তে দেশ দুখনৰ মাজৰ যুদ্ধৰ পূৰ্বৰ অৱস্থা ঘূৰাই অনা হ'ব আৰু দেশ দুখনে আভ্যন্তৰীণ ক্ষেত্ৰত হস্তক্ষেপ নকৰিব।



**ছিমলা চুক্তি** (Simla treaty) : ভাৰত আৰু পাকিস্তানৰ মাজত শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যে স্বাক্ষৰিত আন এখন চুক্তি হ'ল ছিমলা চুক্তি। ১৯৭২ চনৰ ২ জুলাই তাৰিখে হিমাচল প্ৰদেশৰ ৰাজধানী ছিমলাত এই চুক্তিখন স্বাক্ষৰিত হৈছিল। সেই সময়ৰ ভাৰতৰ শাসন প্ৰধান ইন্দিৰা গান্ধী আৰু পাকিস্তানৰ শাসন প্ৰধান জুলফিকৰ আলী ভুট্টোৰ মাজত এই চুক্তিখন সম্পাদিত হৈছিল। ১৯৭১ চনৰ বাংলাদেশৰ জন্মক লৈ হোৱা ভাৰত-পাকিস্তান যুদ্ধৰ ফলত দুয়োখন দেশৰ মাজত সৃষ্টি হোৱা অশান্তিৰ পৰিবেশ নোহোৱা কৰি শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যে এই চুক্তিখন সম্পাদন কৰা হৈছিল।

**কাশ্মীৰ চুক্তি** (Kashmir Treaty) : ১৯৭৪ চনৰ ১৩ নৱেম্বৰ তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেখ আব্দুলাৰ মাজত কাশ্মীৰ চুক্তিখন সম্পাদন হৈছিল। দুয়োখন দেশৰ মাজৰ বিতৰ্কিত বিষয় 'কাশ্মীৰ সমস্যা' সমাধানৰ অৰ্থে এই চুক্তিখন স্বাক্ষৰ কৰা হৈছিল। এই চুক্তিখনত ভাৰতীয় সংবিধানৰ ৩৭০ নং অনুচ্ছেদৰ অধীনত কাশ্মীৰক এক বিশেষ মৰ্যাদা তথা সুবিধা প্ৰদান কৰাৰ কথা উল্লেখ কৰা



হৈছিল। অৱশিষ্ট ক্ষমতাসমূহ কাশ্মীৰক প্ৰদান কৰা হয় আৰু বিভিন্ন বিষয়সমূহৰ ওপৰত আইন প্ৰণয়ন ক্ষমতাও কাশ্মীৰক প্ৰদান কৰা হৈছিল।


**অনাক্ৰমণ চুক্তি** (Non Attack agreement) : ১৯৯০ চনৰ ডিছেম্বৰ মাহত ভাৰত আৰু পাকিস্তানৰ মাজত উক্ত চুক্তিখন সম্পাদিত হৈছিল। এই চুক্তিখনত দুয়োখন দেশে এখনে আনখনক আক্ৰমণ নকৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই ক্ষেত্ৰত ভাৰত-পাকিস্তানে পাৰমাণৱিক শক্তি নিয়ন্ত্ৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

**ভাৰত-চীন চুক্তি** (Indo-Sino Agreement) : দীৰ্ঘদিনীয়া সংঘাতৰ সমাপ্তি ঘটাই এক শান্তিপূৰ্ণ সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে ২০০৫ চনৰ ১১ এপ্ৰিল তাৰিখে দুয়োখন দেশৰ শাসন প্ৰধানসমূহৰ মাজত এক চুক্তি স্বাক্ষৰিত হৈছিল। এই চুক্তিৰ প্ৰধান বিষয়বস্তু আছিল ভাৰত আৰু চীনৰ মাজৰ দীৰ্ঘদিনীয়া সীমা বিবাদৰ সমাধান ঘটাই এক সুসম্পৰ্ক গঢ়ি তোলা। ভাৰতৰ প্ৰধানমন্ত্ৰী মনমোহন সিঙে এই চুক্তিখনক আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ এক বিশেষ পদক্ষেপ হিচাপে নামকৰণ কৰিছে। নতুন দিল্লীত সম্পাদিত হোৱা এই চুক্তিখনে দুয়োখন দেশৰ মাজত সহযোগিতা স্থাপনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

**আণৱিক শক্তি সহযোগিতা চুক্তি** (Nuclear Energy co-operation Treaty) : ২০০৬ চনত ভাৰতবৰ্ষ আৰু আমেৰিকাৰ মাজত সম্পাদিত এই চুক্তিখনে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত এক বিশেষ গুৰুত্ব লাভ কৰিছে। বিশ্বৰ দুয়োখন আগশাৰীৰ দেশে সকলো ধৰণৰ সংঘাত মচিমূৰ কৰি এক শান্তিপূৰ্ণ সম্পৰ্ক স্থাপনৰ উদ্দেশ্যে আণৱিক শক্তি উৎপাদনৰ ক্ষেত্ৰত কিছু নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ ওপৰত গুৰুত্ব দিছিল। দুয়োখন দেশৰ মাজত শান্তিপূৰ্ণ সহাৱস্থান আৰু পাৰস্পৰিক সহযোগিতা স্থাপনেই আছিল এই চুক্তিৰ মূল উদ্দেশ্যে।

**ভাৰত আৰু ছোভিয়েট সংঘৰ মাজৰ শান্তি আৰু সহযোগিতা চুক্তি** (Peace and Friendship treaty between India and USSR) : ১৯৭১ চনৰ আগষ্ট মাহত আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন আৰু পাকিস্তানৰ বিৰুদ্ধে সংঘবদ্ধ হ'বলৈ ভাৰতবৰ্ষই ছোভিয়েট সংঘৰ লগত মিত্ৰতা স্থাপনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল আৰু এই উদ্দেশ্যে ভাৰতে ছোভিয়েট সংঘৰ লগত শান্তি আৰু সহযোগিতাৰ চুক্তিত স্বাক্ষৰ প্ৰদান কৰিছিল। শীতল যুদ্ধৰ পাছত দুয়োখন দেশৰ মাজত এক গভীৰ সম্পৰ্ক স্থাপনত এই চুক্তিখনে অৰিহণা যোগাইছে।

**ভাৰত-শ্ৰীলংকা চুক্তি** (Indo-Srilankan Treaty) : ১৯৮৭ চনত পোনপ্ৰথমবাৰৰ বাবে ভাৰত আৰু শ্ৰীলংকাৰ মাজত এখন শান্তি চুক্তি সম্পাদিত হয়। এই চুক্তিৰ জৰিয়তে ভাৰত চৰকাৰে তামিল সমস্যা সমাধানৰ



ক্ষেত্ৰত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰে আৰু ভাৰত চৰকাৰে শান্তি ৰক্ষা বাহিনী পঠিয়াই শ্ৰীলংকা চৰকাৰৰ লগত তামিল সমস্যা সমাধানৰ বাবে এক পদক্ষেপ গ্ৰহণ কৰে। ❑

# ঢুলীয়া

■ কবিতা পাটগিৰি



কামৰূপীয়া ঢুলীয়া অবিভক্ত কামৰূপ জিলাৰ গ্ৰামাঞ্চলত বহুলভাৱে চৰ্চিত এক থলুৱা কলা। ঢোল আৰু তাল ইয়াৰ প্ৰধান বাদ্যযন্ত্ৰ। ঢোল আৰু তালৰ মিশ্ৰিত সুৰ সমলয়ৰে প্ৰাণময় কৰি তোলে ভাইৰামী চংবোৰ। কামৰূপীয়া ঢুলীয়া কৃষ্টি বুলিলে আজিও বহুতে কৈহাটীৰ ঢুলীয়াকে জানে। বুঢ়া ভাইৰা, নিয়তি ভাইৰা আৰু মোহন ভাওৰীয়াৰ ভাওঁ, অভিনয়, চং আৰু কুস্তি আদি যিবোৰ দৰ্শকে উপভোগ কৰিছে তেওঁলোকে দৃঢ়তাৰে স্বীকাৰ কৰে যে সেই দল অপ্ৰতিদ্বন্দ্বী ঢুলীয়া দল। জন্মলগ্নৰ ঢুলীয়া শিল্পীসকল এতিয়া নাই যদিও তেওঁলোকৰ উত্তৰপুৰুষে আৰ্থিক-অনাটনত জীয়াতু ভুগি নিজস্ব আদব-কায়দাত এই কৃষ্টি চৰ্চাৰ ধাৰাবাহিকতা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে।

হাঁহিব নজনাজনকো হাঁহিৰ খোৰাক যোগোৰাটোৰেই ঢুলীয়া ভাওনাৰ মূল উদ্দেশ্য যদিও ইয়াৰ অন্তৰ্নিহিত মূল কথাসমূহ বৰ গধুৰ। ইয়াৰ মাজত বহুতো চিন্তাৰ বাট দেখুৱাবপৰা তত্ত্বগধুৰ কথাও সোমাই আছে। ভাওনাৰ কাহিনী ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনীৰ আধাৰত প্ৰতিষ্ঠিত যদিও বেছিভাগ কাহিনীয়ে গ্ৰাম্য জীৱনৰ দৈনন্দিন ঘটনাৰ মনোৰঞ্জনমূলক উপস্থাপন বুলিব পাৰি।

ঢুলীয়া দলত বৰঢোল বা গুৰিঢোল আৰু সৰুঢোল বা পাতিঢোলৰ প্ৰচলন আছে। ঢুলীয়া ভাওনাৰ প্ৰথম অনুষ্ঠান হ'ল বৰঢোলৰ 'গুৰুম্ গুৰুম্ ধ্বনিৰদ্বাৰা জাগেনী (আৰম্ভণি) দিয়া। এনেদৰে চাৰি-পাঁচটা বৰঢোলৰ সহায়ত জাগেনী দিয়া বাজনাত হাজাৰ হাজাৰ দৰ্শকে হাত চাপৰি মাৰি, কিৰিলি মাৰি সভাখোলাত উপস্থিত হয়। জাগেনীৰ পিছতে বৰঢোল আৰু সৰুঢোলৰ ভিন্নসুৰী ছেও বজোৱা হয়। এই ঢোলবোৰ সাধাৰণতে ঢুলীয়া-বাজনাত সংগত কৰা হয়। ঢোলৰ ছেৱে ছেৱে তাল নবজালে সেই বাজনা হৈ পৰে আধৰুৱা। একোটা ঢোলৰ পিছে পিছে একোযোৰ তাল বজোৱা হয়। ঘাই ঢোলৰ লগত বৰতাল সংগত কৰা হয়। তেওঁলোকৰ অনুষ্ঠানত 'বৰ্ণেনী' নামৰ এখন ঢুলীয়া ভাইৰামী (ভাওনা) কৰে। দৰ্শকক মনোৰঞ্জন দিব পৰা ঢুলীয়া দলৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠান এই ভাইৰামীবোৰ। এই বৰ্ণেনীবোৰৰ বচনভংগী কোৱাৰ ৰীতি-নীতি দলভেদে বেলেগ বেলেগ। চতুৰ্থতে, ঢুলীয়া অনুষ্ঠানৰ মাজত যাতে যতি নপৰে আৰু উপস্থিত দৰ্শকে যাতে ঢুলীয়া চাই আমনি নাপায় তালৈ লক্ষ্য ৰাখি তেওঁলোকে কিছুমান খেল-ধেমালি দেখুৱায়। এই খেল-ধেমালিবোৰক ঢুলীয়া সুৰত খৰ মাৰা, কুস্তি দিয়া নাইবা খুট মাৰা বুলিও কয়। কুস্তিবোৰৰ বেছিভাগ কুস্তিয়ে ঢুলীয়া দলৰ নিজস্ব সৃষ্টি। কুস্তিবোৰৰ অনুশীলন পদ্ধতিও বৰ জটিল আৰু কষ্টসাধ্য।

হাত-ভৰিৰ বিভিন্ন মুদ্ৰাৰ ওপৰত নিৰ্ভৰ কৰি খুটবোৰক কিছুমান নামেৰে অংকিত কৰা হৈছে। থিয় খুট, তামোল মচৰা খুট, পোন হৈ মৰা খুট, চান্দলি সৰকা খুট, চলন্ত নাৱৰ ওপৰত দিয়া খুট, বাগৰ দিয়া খুট আদি। গাত জুই ঘঁহা, সৰু লোৰ চকা এটাৰ ভিতৰত দুজন মানুহে চাৰ্কাচ কৰা আদি ঢুলীয়াসকলৰ বৰ আকৰ্ষণীয় কুস্তি। তদুপৰি এজন মানুহৰ ওপৰত আন এজনে খেল দেখুওৱা, এডাল বাঁহৰ ওপৰত খেল দেখুওৱা আদিয়েও দৰ্শকৰ মন জয় কৰে। এই কুস্তিবোৰ প্ৰদৰ্শন কৰোঁতে ঢোলৰ বাজনাৰ প্ৰয়োজন খুউব বেছি।

একোটা ঢুলীয়া দলত সাধাৰণতে বিছজনৰপৰা ত্ৰিছজনলৈ শিল্পী থাকে। ভাইৰামীৰ বাবে প্ৰয়োজনীয় সহযোগী শিল্পীসকলৰ বাহিৰে অন্য সংগীবোৰ খোলাৰ আঁৰৰ শিল্পী। খোলাৰ আঁৰত থাকিয়েই এই শিল্পীসকলে ভাৰৰীয়াসকলক সহায় কৰে। আগতে ঢুলীয়া ভাওনাত টেমেকা নামৰ অন্য এক চৰিত্ৰই আছিল। টেমেকাৰ মুখ্য ভাও আছিল ভাওনা আৰম্ভ হোৱাৰ আগে ৰাতিটোত কি কি অনুষ্ঠান হ'ব তেওঁলোকে কি পালা পৰিবেশন কৰিব তাৰে এক পূৰ্বাভাস দৰ্শকক জনোৱা।

ভাৰৰীয়াসকলে যে অকল পৌৰাণিক কাহিনী আৰু মুখৰোচক কাহিনীৰ আঁৰত নিৰ্ভৰ কৰি ভাইৰামী কৰে তেনে নহয়। কিছুমান বিচক্ষণ ভাৰৰীয়াই সভা খোলাত গোট খোৱা দৰ্শকক অধ্যয়ন কৰি ভাও দিয়ে, কেতিয়াবা আকৌ উদ্যোক্তাসকলৰপৰা সেই অঞ্চলৰ বিশেষ কাহিনী বা ব্যক্তি বিশেষৰ চৰিত্ৰ অধ্যয়ন কৰি তাৰ আধাৰত সংলাপ ৰচনা কৰিও ভাও দিয়ে। এনে ধৰণৰ অতি বাস্তৱ অভিনয়ে দৰ্শকৰ মনত সাঁচ বহুৱাব পাৰে। প্ৰতিখন চং বা ভাইৰামীয়ে দৰ্শকৰ মনত প্ৰাণভৰা হাঁহিৰ খোৰাক যোগালেও কিন্তু এইবোৰ মূলতঃ ৰক্ষণশীল সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস আৰু দুৰ্নীতি নিৰ্মূলৰ এক প্ৰচেষ্টা।

এই ঢুলীয়া ভাওনাৰ লগত জড়িত শিল্পীসকলৰ বাস্তৱ জীৱন অতি বেদনাদায়ক। সভাখোলাত আনক



হঁহুৱাব পৰা এই ভাৰৰীয়াৰ জীৱন অভাৱ-অনাটনৰ মাজেৰে পাৰ হৈছিল। তেওঁলোক আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পৰা নাছিল। একপ্ৰকাৰ নিচাৰ বাবেই তেওঁলোকে দিন-ৰাতি একাকাৰ এই শিল্পৰ লগত নিজকে জড়িত কৰিছিল। ঢুলীয়া গাই ঘৰলৈ অহা কোনো ভাৰৰীয়া ঢুলীয়াই হাতত দা লৈ দিন-হাজিৰা কৰিছিল, কোনোৱে জাকৈখন বা বৰশীটো লৈ মাছ মাৰিবলৈ গৈছিল অথবা কোনোৱে মাটিৰ বাচন তৈয়াৰ কৰিও দুবেলা দুসাঁজৰ কথা চিন্তা কৰিছিল। দহক হঁহুৱাব পৰা এই ঢুলীয়া ভাৰৰীয়াবোৰৰ ব্যক্তিগত জীৱনত হাঁহিৰ উৎস সীমিত।

সময়ৰ পৰিবৰ্তনৰ লগে লগে কামৰূপৰ ঢুলীয়া কৃষ্টিলৈ কিছু পৰিবৰ্তন আহিলেও ইয়াৰ সমাদৰ আজিও আছে। ❑


## ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ নৱনিযুক্ত ৰাজ্য মন্ত্ৰীসকল

- মুখতাৰ আব্বাচ নাক্‌ভি (সংখ্যালঘু আৰু সংসদীয় পৰিক্ৰমা)
- ৰাম কৃপাল যাদৱ (খোৱাপানী আৰু পয়ঃপ্ৰণালী)
- হৰিভাই পাৰ্থিভাই চৌধুৰী (গৃহ পৰিক্ৰমা)
- সনৱৰ লাল জাট (জলসম্পদ, নদী উন্নয়ন আৰু গংগা পৰিষ্কৰণ)
- মোহনভাই কল্যাণজী ভাই কুন্দাৰীয়া (কৃষি)
- গিৰিৰাজ সিং (ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ)
- এইচ গংগাৰাম অহিৰ (ৰসায়ন আৰু সাৰ)
- ৰাম শংকৰ কাথেৰিয়া (মানৱ সম্পদ উন্নয়ন)
- ৱাই এছ চৌধুৰী (বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৃথিৱী বিজ্ঞান)
- জয়ন্ত সিন্‌হা (বিত্ত)
- ৰাজ্যবৰ্ধন সিং ৰাথোড় (তথ্য আৰু সম্প্ৰচাৰ)
- সাধ্বী নিৰঞ্জন জ্যোতি (খাদ্য সংসাধন উদ্যোগ)
- বিজয় চাম্পলা (সামাজিক ন্যায় আৰু সবলীকৰণ)
- বাবুল সুপ্ৰিয় (নগৰ উন্নয়ন, গৃহ নিৰ্মাণ আৰু নগৰীয়া দাৰিদ্ৰতা নিৰ্মূলকৰণ)

# দ্য এলকেমিষ্ট

■ নিশা দেৱী

পাৱলো ক'য়েল'ৰ অভিলেখ ভংগকাৰী উপন্যাস 'দ্য এলকেমিষ্ট' (The alchemist) প্ৰকাশিত হৈছিল ১৯৮৮ চনত পৰ্তুগীজ ভাষাত। ১৯৯৩ চনত ই অনূদিত হয় ইংৰাজী ভাষালৈ আৰু একেটা বছৰতে ই ইংৰাজী ভাষাত প্ৰকাশ পায়। ১৬৩ পৃষ্ঠাৰ এই উপন্যাসখন ইংৰাজী ভাষাত প্ৰকাশিত হোৱাৰ লগে লগে জনপ্ৰিয়তাৰ শীৰ্ষত উঠে। ব্ৰাজিলত জন্মগ্ৰহণ কৰা পাৱলো ক'য়েল'ৰ এই উপন্যাসখন ইয়াৰ পিছতেই ৫৬টা ভাষালৈ অনূদিত হয়। গ্ৰন্থখনৰ কাহিনীভাগ অতিশয় সৰল। ছাণ্টইয়াগ' নামৰ ভেৰাৰখীয়া এজনৰ সপোন এটাৰে গ্ৰন্থখনৰ কাহিনীভাগ আৰম্ভ হৈছে। ছাণ্টইয়াগ'ৰ ইজিপ্তলৈ কৰা যাত্ৰাই কেনেকৈ বাৰে বাৰে ৰহণ সলাইছে আৰু এই ৰহণে কেনেকৈ ছাণ্টইয়াগ'ক এজন নতুন মানুহলৈ ৰূপান্তৰিত কৰিছে; এই সৰু অথচ অৰ্থবহ ঘটনাটোকেই কাব্যিক ভাষাৰে কিতাপখনত বৰ্ণনা কৰা হৈছে। 'দ্য এলকেমিষ্ট' এখন 'ৰূপকধৰ্মী' (Allegorical) উপন্যাস। ছাণ্টইয়াগ'ৰ যাত্ৰাটো হৈছে প্ৰত্যেকজন মানুহৰে জীৱনৰ যাত্ৰা। এই যাত্ৰাপথৰ অভিজ্ঞতাইহে এজন মানুহক সমৃদ্ধ কৰে; আন বেলেগ কিবা ধনেৰে কোনো মানুহ ঐশ্বৰ্যশালী হ'ব নোৱাৰে। বিস্তীৰ্ণ মৰুভূমিৰ মাজত পোৱা মৰুদ্যানৰ দৰে ছাণ্টইয়াগ'ই কষ্টকৰ আৰু ঘটনাবহুল যাত্ৰাত লগ পাইছে নিজৰ প্ৰেয়সীক। এই অভিজ্ঞতা, এই প্ৰাপ্তিৰ পিছত ছাণ্টইয়াগ'ই অনুভৱ কৰিছে তাৰ জীৱনৰ আৰু বেলেগ কোনো সম্পদৰেই আৱশ্যক নাই। তথাপি সি নিজৰ যাত্ৰা সম্পূৰ্ণ কৰিছে। বাৰে বাৰে হতাশ হোৱা ছাণ্টইয়াগ'ই দৃঢ়তাৰে নিজক বুজাইছে যে যাত্ৰা এটা কোনোকালেই শেষ কৰিব নোৱাৰাতকৈ




যাত্ৰাত পিছপৰি ৰোৱাই ভাল।

এই কিতাপখনৰ বিষয়ে ক'বলৈ গৈ পাৱলো ক'য়েল'ই উল্লেখ কৰিছিল যে কিতাপখন লিখিবলৈ তেওঁ বেলেগ ধৰণে একো চেষ্টা কৰিবলগা হোৱা নাছিল; কাৰণ কিতাপখনৰ কাহিনীটো 'তেওঁৰ আত্মাত ইতিমধ্যেই লিখা আছিল। ১৯৪৭ চনৰ ২৪ আগষ্টত জন্মগ্ৰহণ কৰা পাৱলো ক'য়েল'ৰ এই গ্ৰন্থখন বিভিন্ন ভাষাত ৬৫ মিলিয়ন কপিতকৈও বেছি বিক্ৰী হৈ ৰেকৰ্ড ভংগকাৰী বেষ্টচেলাৰ গ্ৰন্থ হিচাপে পৰিগণিত হৈছে। গীনিজ বুক ৱৰ্ল্ড ৰেকৰ্ডচতো এই গ্ৰন্থখন সৰ্বাধিক ভাষাত অনূদিত গ্ৰন্থ হিচাপে স্থান পাইছে।

পাৱলো ক'য়েল'ৰ আন কেইখনমান জনপ্ৰিয় উপন্যাস হৈছে লাইক দা ফ্লোৱিং ৰিভাৰ (Like the Flowing River), দা জেহিৰ (The Zahir), ব্ৰিদা (Brida), বাই দ্য ৰিভাৰ পিয়েদ্ৰা আই ছেট দাউন এণ্ড ৱেপ্ট (By the River Piedra I sat down and wept) ইত্যাদি। 'দ্য এলকেমিষ্ট' উপন্যাসখনৰ কথা চিন্তাগধুৰ অথচ সৰল, চুটি চুটি বাক্যৰে বৰ্ণিত। তাৰে কিছুমান বাক্য এনেধৰণৰ : "প্ৰায় প্ৰত্যেকজন মানুহৰেই বেলেগৰ জীৱন সম্পৰ্কে এটি স্পষ্ট ধাৰণা থাকে, অথচ নিজৰ জীৱনৰ বিষয়ে তেওঁ প্ৰায় একোৱেই নেজানে।"

"তোমাৰ হৃদয়ৰপৰা তুমি হাত সাৰিব নোৱাৰা। গতিকে হৃদয়ৰ কথা শুনাই ভাল।"

"সপোন এটি পূৰ্ণ হোৱাৰ সম্ভাৱনাই জীৱনটোক অৰ্থবহ কৰি তোলে।" ইত্যাদি।

শেষত ক'ব পাৰি যে গ্ৰন্থখনৰ দৰ্শন, বৰ্ণনাৰ প্ৰাঞ্জলতা আৰু কাহিনীৰ গভীৰতাই ইয়াক সৰ্বকালৰ এখন সুখপাঠ্য উপন্যাস হিচাপে প্ৰতিষ্ঠা কৰিছে। ❑

# খবৰৰ লেছেৰি বোটলা

**(২১ অক্ট'বৰৰপৰা ২০ নৱেম্বৰলৈ)**

**২১ অক্ট'বৰ :** বিশিষ্ট চিকিৎসক ডাঃ কুমাৰেন্দ্ৰ দাসলৈ 'মেম্বাৰ অৱ ব্ৰিটিছ এম্পায়াৰ' সন্মান। ২১ নৱেম্বৰত ৰাণী এলিজাবেথে দাসক এই সন্মান প্ৰদান কৰে।

**২২ অক্ট'বৰ :** মালালা ইউছুফজাইলৈ আমেৰিকাৰ সন্মানীয় 'লিবাৰ্টী মেডেল'। এই বঁটাৰ বাবদ পোৱা এক লাখ ডলাৰ (প্ৰায় ৬০ লাখ টকা) মালালাই পাকিস্তানৰ শিশু শিক্ষাৰ বাবে ব্যয় কৰিব।

**২৪ অক্ট'বৰ :** চন্দ্ৰলৈ চীনৰ মহাকাশযান প্ৰেৰণ।

- ছুইডেনৰ মাৰ্কিন ৰাষ্ট্ৰদূতৰূপে মনোনীত ভাৰতীয় মূলৰ অজিতা ৰাজি।

**২৬ অক্ট'বৰ :** হাৰিয়ানাৰ মুখ্যমন্ত্ৰীৰূপে মনোহৰলাল খট্টৰে শপত গ্ৰহণ কৰে।

**২৭ অক্ট'বৰ :** দ্বিতীয়বাৰৰ বাবে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি পদত অভিষিক্ত ডিলমা ৰৌছেফ।

**২৯ অক্ট'বৰ :** পাকিস্তানৰ ১৭ বছৰীয়া শান্তিকৰ্মী মালালা ইউছুফজাইলৈ চলিত বৰ্ষৰ 'বিশ্ব শিশু বঁটা' প্ৰদান।

**৩০ অক্ট'বৰ :** পংকজ আদৱানিৰ 'বিশ্ব বিলিয়াৰ্ডছ' খিতাপ অৰ্জন।

**৩১ অক্ট'বৰ :** চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মদিন 'ৰাষ্ট্ৰীয় ঐক্য দিৱস' হিচাবে উদ্‌যাপন।

- মহাৰাষ্ট্ৰৰ প্ৰথমজন বিজেপি মুখ্যমন্ত্ৰীৰূপে দেৱেন্দ্ৰ ফাড়নবিছৰ শপত গ্ৰহণ।

**২ নৱেম্বৰ :** 'অৰণ্য মানৱ' যাদৱ পায়েঙলৈ অসম জাতীয় বিদ্যালয়ৰ ফেল'শ্বিপ প্ৰদান।

**৫ নৱেম্বৰ :** শচীন টেণ্ডুলকাৰৰ আত্মজীৱনী 'প্লেয়িং ইট মাই ৱে'ৰ উন্মোচন।

- অডুৰ গোপালকৃষ্ণণলৈ অসম সাহিত্য সভাৰ 'ড° ভূপেন হাজৰিকা আন্তঃৰাষ্ট্ৰীয় বঁটা'।

**৭ নৱেম্বৰ :** আন্তঃৰাষ্ট্ৰীয় আলোচনী ফ'ৰ্বছৰ বিশ্বৰ ক্ষমতাশালী ব্যক্তিৰ তালিকাত নৰেন্দ্ৰ মোডীৰ পঞ্চদশ স্থান লাভ।

**১১ নৱেম্বৰ :** নৰেন্দ্ৰ মোডীৰ ম্যানমাৰ, অষ্ট্ৰেলিয়া আৰু ফিজি ভ্ৰমণ।

**১৩ নৱেম্বৰ :** ইডেন গাৰ্ডেনত ৰোহিত শৰ্মাৰ এদিনীয়া ক্ৰিকেটত শ্ৰীলংকাৰ বিৰুদ্ধে ২৬৪ ৰাণ কৰি বিশ্ব অভিলেখ স্থাপন।

**১৪ নৱেম্বৰ :** পুনেৰ আৰ্মি পাব্লিক স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী বৈদেহী ৰেড্ডিয়ে অংকন কৰা অসমৰ ছবিৰ গুগলৰ পৃষ্ঠপটত স্থান লাভ।

**১৬ নৱেম্বৰ :** ডাঃ ধ্ৰুৱজ্যোতি বৰা অসম সাহিত্য সভাৰ সভাপতি হিচাবে নিৰ্বাচিত।

**১৭ নৱেম্বৰ :** চৈধ্য বছৰীয়া গুঞ্জন শৰ্মালৈ প্ৰথমবাৰৰ বাবে 'অসম ৰাজ্যিক সাহসিকতা বঁটা' প্ৰদান।

- অষ্ট্ৰেলিয়াৰ ছিডনীৰ অলিম্পিক পাৰ্কত নৰেন্দ্ৰ মোডীৰ বক্তৃতা প্ৰদান।
- পাকিস্তানৰ পাৰমাণৱিক শক্তিসম্পন্ন বেলষ্টিক ক্ষেপণাস্ত্ৰ 'চাহিন-১এ'ৰ সফল পৰীক্ষণ।
- কৃষক নেতা অখিল গগৈক পাঁচটা পৰিৱেশ সংস্থাই 'ভগীৰথ প্ৰয়াস' সন্মান প্ৰদান কৰে। এই সংস্থাকেইটা হ'ল—ডব্লিউ ডব্লিউ এফ, ছাউথ এছিয়া নেটৱৰ্ক অন ডেমছ, ৰিভাৰছ এণ্ড পিপল, দি ইণ্ডিয়ান নেছনেল ট্ৰাষ্ট ফৰ আৰ্ট এণ্ড কালছাৰেল হেৰিটেজ আৰু টক্সিকচ লিংক পীচ ইনষ্টিটিউট চেৰিটেবল ট্ৰাষ্ট। ❑

**সংগ্ৰহ : পংকজ কুমাৰ বৰা**

■ প্ৰণীতা দেৱী

## ওচামাৰ মৃত্যুদূতজন



বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰা অল-কাইদাৰ নেতা ওচামা বিন লাডেনক ২০১১ চনৰ ২ মে'ত পাকিস্তানৰ এব'টাবাদত আমেৰিকাৰ সশস্ত্ৰ বাহিনীয়ে হত্যা কৰাৰ ঘটনা সকলোৰে মনত আছে। যোৱা কিছুদিন ধৰি ওচামাৰ মৃত্যুসম্পৰ্কীয় আন এটা কথাই সংবাদ শিৰোনাম দখল কৰিছে। সেয়া হৈছে আমেৰিকা যুক্তৰাজ্যৰ নৌসেনাৰ ছীল কামাণ্ডো ৰ'বাৰ্ট অ' নীলে সেই অভিযানত ওচামাক প্ৰথমে গুলীওৱা বুলি কৰা দাবী। ৰ'বাৰ্ট অ' নীলে আমেৰিকা যুক্তৰাজ্যৰ ৪০০টাতকৈও অধিক সামৰিক অভিযানত অংশগ্ৰহণ কৰিছিল। ২০১২ চনত তেওঁ নৌসেনাৰপৰা অৱসৰ গ্ৰহণ কৰি বৰ্তমান বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ৰাজহুৱা বক্তা হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে। শেহতীয়াকৈ সংবাদ শিৰোনাম দখল কৰা এইজন লোকৰ মন্তব্যক লৈ বিতৰ্ক মাৰ যোৱা নাই।

## গুগলৰ পৃষ্ঠপটত অসমৰ ছবি

শিশু দিৱস উপলক্ষে ২০০৯ চনৰপৰাই গুগলৰ (Google) ভাৰতীয়া শাখাই ডুডল ফৰ গুগল (Doodle 4 Google) শীৰ্ষক এক চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এই বছৰ এই প্ৰতিযোগিতাৰ বিষয় আছিল মই ভ্ৰমণ কৰিব খোজা ভাৰতৰ এখন ঠাই (A place is India I wish to visit.)। অসম-প্ৰকৃতি আৰু সংস্কৃতিৰ স্বৰ্গ (Natural and cultural paradise-Assam) শীৰ্ষক চিত্ৰ অংকন কৰি প্ৰতিযোগিতাৰ শীৰ্ষ স্থান দখল কৰে পুনেৰ বৈদেহী ৰেড্ডী নামৰ এগৰাকী ১৫ বছৰীয়া কিশোৰীয়ে। বৈদেহীৰ চিত্ৰত স্থান পাইছিল অসমৰ গঁড়, চাহ গছ, বিহু নৃত্য আদিয়ে। বৈদেহী পুনেৰ আৰ্মী স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী। ২০১১ চনত বৈদেহী মাক-দেউতাকৰ সৈতে অসমলৈ আহিছিল। পুৰস্কাৰ লাভ কৰাৰ পাছত বৈদেহীক অসমৰ সৌন্দৰ্যই বাৰুকৈয়ে মুগ্ধ কৰিছিল বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, শিশু দিৱসৰ দিনটোত গুগল ইণ্ডিয়াৰ হ'মপেজত (পৃষ্ঠপট) বৈদেহীয়ে আঁকা ছবিখন প্ৰদৰ্শিত হৈ আছিল।



## ব্ৰাজিলৰ লৌহ-মানৱীগৰাকী



শেহতীয়াকৈ সমগ্ৰ বিশ্বতে সংবাদ শিৰোনাম দখল কৰা এগৰাকী মহিলা হৈছে ডিলমা ৰৌছেফ। ব্ৰাজিলত অলপতে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনত পুনৰ নিৰ্বাচিত হৈছে ডিলমা ৰৌছেফ। ২০১১ চনতে ব্ৰাজিলৰ সৰ্বোচ্চ পদবীত অধিষ্ঠিত হোৱা ডিলমা ৰৌছেফ হৈছে ৰাষ্ট্ৰখনৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি। ব্ৰাজিলৰ লৌহ মানৱী বুলি খ্যাত ডিলমা ৰৌছেফৰ জন্ম হৈছিল ১৯৪৭ চনত। এটা মধ্যবিত্ত পৰিয়ালত তেওঁ ডাঙৰ-দীঘল হৈছিল। সমাজবাদী আদৰ্শৰে অনুপ্ৰাণিত ৰৌছেফে ১৯৬৪ চনত ব্ৰাজিলত চলা সামৰিক একনায়কত্ববাদৰ বিৰুদ্ধে বিভিন্ন বাঁওপন্থী আৰু মাৰ্ক্সবাদী গৰিলা বাহিনীত যোগদান কৰিছিল। ফলস্বৰূপে তেওঁ ১৯৭০ আৰু ১৯৭২ চনত কাৰাবাসো খাটিবলগীয়া হৈছিল। দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা এইগৰাকী নেত্ৰীয়ে দেশখনৰ দৰিদ্ৰতা নিৰ্মূলৰ বাবেও বিগত সময়ছোৱাত বিভিন্ন আঁচনি গ্ৰহণ কৰা দেখা গৈছে।

১। এটা জলহস্তীৰ ছালখন প্ৰায় ৪ ছেণ্টিমিটাৰ ডাঠ আৰু ই ইমানেই টান যে অধিকসংখ্যক গুলীয়েই তাক ভেদ কৰিব নোৱাৰে।



২। আমেৰিকাৰ টেক্সাচত থকা 'ক'কৰ'চ্ হ'ল অব্ ফেম' নামৰ সংগ্ৰহালয়ত বিভিন্ন প্ৰকাৰৰ পঁইতাচোৰা আৰু পোক-পৰুৱা বিখ্যাত লোকসকলৰ বেশভূষাৰে সজ্জিত কৰা আছে।



৩। নেডাৰলেণ্ডৰ আমষ্টাৰডামত থকা 'দা পিগি বেংক মিউজিয়াম'ত বিভিন্ন সময়ৰ ১২,০০০টা পিগি বেংক সংগ্ৰহিত হৈ আছে।



৪। 'কিৰি' নামৰ চৰাইবিধ পৃথিৱীৰ একমাত্ৰ পক্ষী যাৰ নাকৰ ফুটা দুটা তাৰ ঠোঁটৰ সন্মুখত থাকে।



## তোমালোকে জানানে?

- এটা তিমি হাঙ্গৰৰ ওজন প্ৰায় দুটা আফ্ৰিকান হাতীৰ ওজনৰ সমান।
- এজন মানুহৰ দেহত প্ৰায় ১ ট্ৰিলিয়ন সংখ্যক অণুজীৱ থাকে। '১ ট্ৰিলিয়ন = ১০০০০০০০০০০০০)
- মানুহ আৰু জিৰাফৰ ডিঙিত সমান সংখ্যক হাড় থাকে।
- ফৰিঙৰ তেজৰ ৰং সেউজীয়া।
- এটা প্ৰাপ্তবয়স্ক জিৰাফৰ গোৰ ইমানেই শক্তিশালী যে ই এটা সিংহও মাৰি পেলাব পাৰে।
- এটা কেৰ্কেটুৱাই মাটিত দৌৰাতকৈ গছত বেছি খৰকৈ বগাব পাৰে।

■ **সংগ্ৰহ : প্ৰহ্লাদ বৰা**

## সাধাৰণ জ্ঞানৰ সঁফুৰা

# ভাৰতৰ কেইখনমান ৰাজ্যৰ ৰাজ্যিক চৰাই

১। **ৰাজ্য** : গোৱা; **চৰাই** : তেলীয়া সাৰেং



২। **ৰাজ্য** : তামিলনাডু; **চৰাই** : শিল কপৌ



৩। **ৰাজ্য** : উত্তৰ প্ৰদেশ; **চৰাই** : সাৰেং



৪। **ৰাজ্য** : চিকিম; **চৰাই** : ৰঙামূৰা কুকুৰা



৫। **ৰাজ্য** : মেঘালয়; **চৰাই** : পাহাৰীয়া মইনা



৬। **ৰাজ্য** : অন্ধ্ৰপ্ৰদেশ, **চৰাই** : নীলকণ্ঠ




■ ভৱেশ্বৰ গোস্বামী

## আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ জনছন আৰু এ বি ডি ভিলিয়াৰ্চ

অষ্ট্ৰেলিয়াৰ মিচেল জনচনে আই চি চিৰ দুটা সন্মানীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ২০১৩-১৪ ছিজনৰ আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ ক্ৰিকেটাৰ আৰু বৰ্ষশ্ৰেষ্ঠ টেষ্ট ক্ৰিকেটাৰ হিচাবে নিৰ্বাচিত হয়। আনহাতে বৰ্ষশ্ৰেষ্ঠ এদিনীয়া ক্ৰিকেটাৰৰূপে নিৰ্বাচিত হয় দক্ষিণ আফ্ৰিকাৰ এ বি ডি ভিলিয়াৰ্ছ।

## চীন অ'পেন ছুপাৰ চিৰিজ




চীন অ'পেন ছুপাৰ চিৰিজ বেডমিণ্টনৰ খিতাপ জয় কৰিবলৈ সক্ষম হয় ভাৰতৰ শ্ৰীকান্তে। সন্মানীয় এই প্ৰতিযোগিতাখন পুৰুষ ছিংগলছৰ ফাইনেলত ২১ বছৰীয়া শ্ৰীকান্তে দুবাৰৰ অলিম্পিক চেম্পিয়ন আৰু পাঁচবাৰৰ বিশ্ব চেম্পিয়ন চীনৰ তাৰকা লিন ভানক ২১-১৯, ২১-১৭ গেমৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। অন্ধ্ৰপ্ৰদেশৰ শ্ৰীকান্ত হৈছে ছুপাৰ ছিৰিজ বেডমিণ্টনৰ খিতাপ জয় কৰিবলৈ সক্ষম হোৱা ভাৰতৰ প্ৰথমগৰাকী পুৰুষ শ্বাটলাৰ।



আনহাতে ছাইনা নেহৱালেও মহিলাৰ ছিংগলছৰ খিতাপ জয় কৰি ইতিহাস সৃষ্টি কৰে। ফাইনেলত ছাইনাই জাপানৰ আকানো য়ামাগুচিক ২২-২১, ২২-২০ গেমৰ ব্যৱধানত পৰাস্ত কৰে। এইয়া হৈছে ছাইনাৰ ছিজনৰ তৃতীয়টো খিতাপ। বছৰৰ আৰম্ভণিতে ছঈদ মোডী আন্তৰ্জাতিক 'গ্ৰাঁ প্ৰি গ'ল্ড' আৰু যোৱা জুনত 'অষ্ট্ৰেলিয়ান ছুপাৰ ছিৰিজ'ৰ খিতাপ জয় কৰিছিল ছাইনাই।

## ভাৰত-শ্ৰীলংকাৰ এদিনীয়া ক্ৰিকেট শৃংখলা

সদ্যসমাপ্ত ভাৰত-শ্ৰীলংকাৰ এদিনীয়া ক্ৰিকেট শৃংখলাটোত এখনো মেচত জয়ৰ সোৱাদ নোপোৱাকৈয়ে স্বদেশলৈ উভতিবলৈ বাধ্য হ'ল শ্ৰীলংকান দলটো। এইবাৰ প্ৰথমবাৰৰ বাবে শ্ৰীলংকা দলটো ভাৰতৰ মাটিত হোৱাইট ৱাশ্বৰ সন্মুখীন হয়। বিৰাট ক'হলিৰ লগতে অম্বাতি ৰায়ডু, শিখৰ ধাৱন, আজিংক ৰাহানে আৰু ৰোহিত শৰ্মাৰ বেটিং বিক্ৰমে অনায়াসে শ্ৰীলংকান দলটোক পৰাভূত কৰে। চিৰিজটোত দেখুওৱা পাৰদৰ্শিতাৰ বাবে বিৰাট ক'হলিক 'মেন অৱ দ্য চিৰিজ' বঁটা প্ৰদান কৰা হয়।

## ৰোহিত শৰ্মাৰ বিশ্ব অভিলেখ



'Rohit Sarma defeats Srilanka by 13 runs'-যোৱা ১৩ নৱেম্বৰত শ্ৰীলংকাৰ বিৰুদ্ধে চতুৰ্থ এদিনীয়া মেচখনত কলকাতাৰ ইডেন গাৰ্ডেনত ২৬৪ ৰাণৰ দুৰ্দান্ত ইনিংছ খেলাৰ পাছত ৰোহিত শৰ্মা সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় সংবাদ পত্ৰই দিয়া শিৰোনাম আছিল এয়া।

২৭ বছৰীয়া ৰোহিত শৰ্মাৰ ১৭৩টা বলৰ ইনিংছটোৰ সহায়ত সিদিনা ভাৰতে ৪ উইকেটৰ বিনিময়ত ৪০৪ ৰাণ কৰিছিল। প্ৰত্যুত্তৰত শ্ৰীলংকা দলটো ৪৩.১ অভাৰত ২৫১ ৰাণতেই অল আউট হৈছিল। ৰোহিত শৰ্মাই কৰা ২৬৪ ৰাণতকৈ ১৩ ৰাণ পিছ পৰি ৰৈছিল ভ্ৰমণকাৰী দলটো। ৩৩টা বাউণ্ডেৰী আৰু ৯টা অভাৰ বাউণ্ডেৰীৰে ২৬৪ ৰাণ কৰি ৰোহিত শৰ্মাই এদিনীয়া ক্ৰিকেট খেলৰ সৰ্বাধিক ৰাণ সংগ্ৰহকাৰীৰ ৰেকৰ্ড গঢ়িবলৈ সক্ষম হয়। ❑

# ড° ইন্দিৰা গোস্বামী আৰু ৰামায়ণী সাহিত্যৰ গৱেষণা

■ প্ৰাঞ্জল তালুকদাৰ



আদিকাব্য ৰামায়ণ ভাৰতীয় জনসমাজৰ অতি আদৰৰ সম্পদ। সমগ্ৰ ভাৰতৰ লগত বিদেশতো ৰামকথাৰ চৰ্চা হৈ আহিছে। ড° ইন্দিৰা গোস্বামী (মামণি ৰয়ছম গোস্বামী, ১৯৪১-২০১১) ৰামায়ণী সাহিত্যৰ গৱেষণাৰ সৈতে আজীৱন জড়িত আছিল। এই সম্পৰ্কে তেওঁ 'আধা লেখা দস্তাবেজ' শীৰ্ষক গ্ৰন্থত সবিস্তাৰে লিখিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়াত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি তেওঁ 'মাধৱ কন্দলি আৰু তুলসী দাসৰ ৰামায়ণৰ তুলনা' শীৰ্ষক বিষয়ত (১৯৭০-৭৩) ড° উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ তত্ত্বাৱধানত ডক্টৰেট ডিগ্ৰী লাভ কৰে। বাল্মীকিৰ ৰামায়ণে ড° ইন্দিৰা গোস্বামীক গভীৰভাৱে আকৰ্ষণ কৰিছিল আৰু সেয়েহে ইয়াৰ নিৰহ-নিপানী চৰ্চাৰ বাবে তেওঁ দেহে-কেহে লাগিছিল।

মহাকবি বাল্মীকি ৰচিত ৰামায়ণৰ মহত্ত্ব আৰু গুৰুত্বই সমগ্ৰ ভাৰততে অতীতৰপৰাই প্ৰভাৱ বিস্তাৰ কৰি আহিছে। বাল্মীকিৰ ৰামায়ণৰ ভিন্ন পাঠশাখা পোৱা যায়। তদুপৰি প্ৰাদেশিক ভাষাত ৰচিত ৰামায়ণসমূহৰো এক অন্য ঐতিহ্য আছে।

হিন্দী ভাষাত তুলসীদাসৰ 'ৰামচৰিত মানস', তামিল ভাষাত 'কম্বন ৰামায়ণ', তেলেগু ভাষাত 'ৰংগনাথ ৰামায়ণ' আৰু 'ভাস্কৰ ৰামায়ণ', নেপালী ভাষাত 'ভানুভক্ত ৰামায়ণ' আৰু অসমীয়া ভাষাত মাধৱ কন্দলিৰ 'সপ্তকাণ্ড ৰামায়ণ' প্ৰাদেশিক ভাষাৰ ৰামায়ণসমূহৰ ভিতৰত অন্যতম। দীনকৰ ভিঠাল কাত্ৰে (Dinkar Vithal Katre) 'Many Ramayanas, so many Ramas' নামৰ প্ৰবন্ধত প্ৰাদেশিক ৰামায়ণসমূহত ৰাম চৰিত্ৰৰ বিভিন্ন তৰপীয়া উপস্থাপনৰ কথা উনুকিয়াইছে। ড° ইন্দিৰা গোস্বামীয়ে ৰামায়ণী সাহিত্যৰ তুলনামূলক দিশবোৰৰ অধ্যয়নৰ বাবে আগ্ৰহী আছিল। ভাৰতীয় সমাজ জীৱনক অতি গভীৰভাৱে আলোকিত আৰু আলোড়িত কৰা বাল্মীকিৰ ৰামায়ণী সাহিত্যৰ প্ৰতি থকা আকৰ্ষণৰ বাবে তেওঁ বৃন্দাবনলৈ গৈছিল। ড° গোস্বামীয়ে গৱেষণাৰ বাবে গঙ্গাৰপৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰৱাহিত ৰামায়ণৰ বিস্তৃত আৰু গভীৰ তুলনামূলক অধ্যয়ন কৰিছে। দিল্লীৰ বি. আৰ. পাব্লিছিং কৰ্প'ৰেচনে প্ৰকাশ কৰা তেওঁৰ গৱেষণাগ্ৰন্থত মাধৱদেৱৰ বিৰচিত আদিকাণ্ড ৰামায়ণ আৰু শংকৰদেৱৰ বিৰচিত উত্তৰাকাণ্ড ৰামায়ণৰো আলোচনা আছে। বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধত চতুৰ্দশ শতিকাত মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰে। চতুৰ্দশ শতিকাৰ এই প্ৰাদেশিক ৰামায়ণৰ নিদৰ্শন ড° গোস্বামীয়ে গৱেষণাৰ জৰিয়তে বিশ্ব দৰবাৰলৈ লৈ গৈছে। বাল্মীকি ৰামায়ণৰ গৌড়ীয় সংস্কৰণৰপৰা মূলতঃ কন্দলিয়ে এইখন ৰচনা কৰা বুলি তেওঁ প্ৰতিপন্ন কৰিছে। মাধৱ কন্দলিৰ ৰচনাৰ শৈলী বিচাৰ কৰি ড° গোস্বামীয়ে কন্দলিয়ে ক'ত মূল ৰামায়ণৰ সংযোগ, বিয়োগ কৰিছে সেয়া দেখুৱাইছে। ঘটনা, চৰিত্ৰ, ভাষা-ৰীতিৰ দিশতো তুলসীদাসৰ 'ৰামচৰিত মানস' আৰু মাধৱ কন্দলিৰ ৰামায়ণৰ তুলনামূলক অধ্যয়ন কৰি তেওঁ গভীৰ পাণ্ডিত্যৰ পৰিচয় দিছে।

ড° ইন্দিৰা গোস্বামীয়ে কেৱল পি.এইচ.ডি. ডিগ্ৰীৰ বাবে গৱেষণা কৰা নাছিল। ৰামায়ণী সাহিত্যৰ গৱেষণা তেওঁৰ জীৱনজোৰা সাধনা হৈ পৰিছিল। ৰামায়ণী সাহিত্যৰ গৱেষণা তেওঁৰ বাবে কেৱল এক বিদ্যায়তনিক (Academic) অধ্যয়ন নাছিল, ই আছিল তেওঁৰ আজীৱন সাধনাৰ এক অনুপম নিদৰ্শন। ❑

# ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ নৱনিযুক্ত মন্ত্ৰীসকল

## কেবিনেট মন্ত্ৰী, প্ৰসংগ পৃষ্ঠা ২১


মনোহৰ পাৰিকাৰ


সুৰেশ প্ৰভু


জগত প্ৰকাশ নাড্ডা


বীৰেন্দ্ৰ সিং

## স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী, প্ৰসংগ পৃষ্ঠা ২১



বান্দাৰু দত্তাত্ৰেয়


মহেশ শৰ্মা


ৰাজীৱ প্ৰতাপ ৰুডী

## ৰাজ্য মন্ত্ৰী, প্ৰসংগ পৃষ্ঠা ২৫


সাধ্বী নিৰঞ্জন জ্যোতি


বিজয় চাম্পলা


ৱাই এছ চৌধুৰী


হৰিভাই পাৰ্থিভাই চৌধুৰী


মোহনভাই কল্যানজী ভাই কুন্দৰীয়া


সনৱৰ লালজাট


ৰাম শংকৰ কাথেৰিয়া


ৰাজ্য বৰ্দ্ধন সিং ৰাথোৰ


জয়ন্ত সিনহা


বাবুল সুপ্ৰিয়


গিৰিৰাজ সিং


হংসৰাজ অহিৰ


মুখতাৰ আব্বাচ নাকভি


ৰামকৃপাল যাদৱ

# উত্তৰ আৰু দক্ষিণ আমেৰিকা মহাদেশৰ কেইখনমান দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক



বলিভিয়া



ব্ৰাজিল



চিলি



কলম্বিয়া



আৰ্জেণ্টিনা



কিউবা



ইকুৱেডৰ



গুৱাটিমালা



হাইটি



হণ্ডুৰাছ




জামাইকা



মেক্সিকো




পানামা




পাৰাগুৱে



আমেৰিকা যুক্তৰাষ্ট্ৰ



ভেনিজুৱেলা